সংবাদ সেৱাৰে,দেশৰ সেৱাত ২৮ বছৰৰ এক অবিৰত যাত্ৰা...
Postal Redg. No. GH- 098/ 2015 - 17
গুৱাহাটীৰ পৰা প্ৰকাশিত নিৰ্ভীক সাপ্তাহিক

ৰঙিলী বাৰ্ত্তা

২৮ বছৰ, ২ সংখ্যা, ২৪ পুহ , ৰবিবাৰ, ১৪২৭ ভাস্কৰাব্দ, পঞ্জীয়ন নং ৫৩৮৮৩ / ৯৪
RNI No. 53883/94. GHY--781025. Vol. 28: Issue No. 2 * Date Of Publication - 09 January 2022 Rs.10.00/-

ৰাজ্যত ঘোষণা নতুন এছ অ’ পি

ৰঙিলী বাৰ্ত্তাসেৱা- * নিশা ১০ বজাৰ পৰা পুৱা ৬ বজালৈ বাহাল থাকিব কাৰ্ফিউ।
* নিশা ৯ঃ৩০ বজাৰ লগে লগে সম্পূৰ্ণ ৰূপে বন্ধ কৰিব লাগিব ব্যৱসায়িক প্ৰতিষ্ঠান।
* ৰেষ্টুৰেণ্ট আৰু হোটেলসমূহ ৫০ শতাংশ গ্ৰাহকৰ উপস্থিতিৰে মুকলি কৰিব পাৰিব।
* ৰেষ্টুৰেণ্ট, ধাবা আদিৰ পৰা খাদ্য সামগ্ৰী ১০ বজা পৰ্যন্ত লৈ যাব পাৰিব।
* শ্ব’ৰুম সমূহ ৯ বজালৈকে খুলিব পাৰিব।
শিক্ষানুষ্ঠান-
* কামৰূপ মহানগৰ জিলাত অষ্টম শ্ৰেণীলৈকে সকলো শিক্ষানুষ্ঠান বন্ধ থাকিব।
* অন্যান্য জিলাত পঞ্চম শ্ৰেণীলৈকে সকলো শ্ৰেণীৰে পাঠদান বন্ধ থাকিব।
* অফলাইন পাঠদান বন্ধ থাকিব।
* বিদ্যালয়, কলেজ, বিশ্ববিদ্যালয় আদিৰ পাঠদান অনলাইন মাধ্যমেৰে সম্পন্ন কৰাৰ নিৰ্দেশ।
যান-বাহনৰ ক্ষেত্ৰত-
* যান-বাহনৰ ক্ষেত্ৰত সকলোৱে কোভিড প্ৰ’টকল মানি চলিব লাগিব।
* সকলো বাহনতে ১০০ শতাংশ যাত্ৰীয়ে ভ্ৰমণ কৰিব পাৰিব। অৱশ্যে সকলোৱে অতি কমেও এটা ভেকচিন গ্ৰহণ কৰিব লাগিব।
* বাইক, স্কুটি আদিত দুজন লোক উঠিব পাৰিব। অৱশ্যে দুয়োৱে ভেকচিন গ্ৰহণ কৰিব লাগিব।
* কোনো বাহনতে থিয় কৰি যাত্ৰী কঢ়িয়াব নোৱাৰিব।
* কোনো বাহনতে যাত্ৰী থিয় হৈ গ’লে চালকৰ অনুজ্ঞাপত্ৰ বাতিল কৰাৰ লগতে বাহনৰ পঞ্জীয়ন বাতিল কৰা হ’ব।
বজাৰ, চিনেমা হল, ৰাজহুৱা স্থান-
* সপ্তাহিক বজাৰ ৬ ঘণ্টাতকৈ অধিক সময় খুলিব নোৱাৰিব।
* চিনেমা হল আদি ৫০ শতাংশ দৰ্শকৰ উপস্থিতিৰে খুলিব পাৰিব।
* ৰাজহুৱা স্থানত মাস্ক পৰিধান কৰাটো বাধ্যতামূলক।
* ৰাজহুৱা স্থানত ভেকচিন গ্ৰহণ নকৰা লোকক ১০০০ টকাৰ জৰিমনা বিহা হ’ব।
* ভেকচিন গ্ৰহণ নকৰা লোক ১৫ জানুৱাৰীৰ পাছত ৰাজহুৱা স্থানত উপস্থিত থাকিব নোৱাৰিব।
* সকলোৱে সম্পূৰ্ণৰূপে ভেকচিন গ্ৰহণ কৰাৰ প্ৰমাণ লগত ৰাখিব লাগিব।
চৰকাৰী আৰু বেচৰকাৰী কাৰ্যালয়-
* চৰকাৰী আৰু বেচৰকাৰী কাৰ্যালয়সমূহ পূৰ্বৰ দৰেই সময়মতেই খুলি থাকিব।
* সকলো চৰকাৰী কৰ্মচাৰীয়ে সম্পূৰ্ণৰূপে ভেকচিন গ্ৰহণ কৰিব লাগিব আৰু সময়মতেই কাৰ্যালয়ত উপস্থিত থাকিব লাগিব।
* যিসকল কৰ্মচাৰীয়ে সম্পূৰ্ণৰূপে ভেকচিন গ্ৰহণ কৰা নাই তেওঁলোকে কাৰ্যালয়ত উপস্থিত থাকিব নোৱাৰিব।
* কাৰ্যালয়ত উপস্থিত নথকা কৰ্মচাৰীয়ে ছুটী ল’ব লাগিব। যিসকলে ছুটী ল’ব নোৱাৰে তেওঁলোকৰ দৰমহা কৰ্তন কৰা হ’ব।
সভা, সমিতি, বিবাহ আৰু ধৰ্মীয় অনুষ্ঠান, শেষকৃত্য অনুষ্ঠান-
* সকলো স্থানতে ৫০ শতাংশ লোকৰ উপস্থিতিত সভা, সমিতি আদি অনুষ্ঠিত কৰিব পাৰিব।

(দুই পৃষ্ঠাত চাওক)

সম্পাদকীয়ঃ

মাতৃ-পিতৃ বন্দনা

নাস্তি মাতৃসমা ছায়া নাস্তি মাতৃসমা গতিঃ
নাস্তি মাতৃসমং ত্ৰাণং নাস্তি মাতৃসমা প্ৰিয়া

পিতা স্বৰ্গঃ পিতা ধৰ্মঃ পিতা হি পৰমং তপঃ
পিতৰি প্ৰিতিমাপন্নে
প্ৰয়ন্তে সৰ্বদেৱতা

ইতিবাচক আৰু নেতিবাচক এই দুইটা চিন্তাই মনৰ মাজত সকলো মানুহৰে কম বেছি পৰিমাণে ক্ৰিয়া কৰি থাকে।বিশ্লেষণৰ মাধ্যেমেৰে তাক যদি আমি ভাল হ’লে প্ৰশংসা কৰোঁ তেন্তে সেয়া হ’ব ‘ইতিবাচক চিন্তা’ আৰু কেৱল যদি বেয়া দিশবোৰহে আঙুলিয়াই থাকো তেন্তে সেয়া চিন্তাই “নেতিবাচক”। কিন্তু এই দুইটাই এখন সমাজৰ বা চৰকাৰৰ বা ব্যক্তি বিশেষে অতিকৈ জৰুৰী। কাৰণ এই দুয়োটাৰে সঠিক মিশ্ৰণ হ’লেহে এটা চিন্তা “গঠনমূলক” চিন্তা হয়। এতিয়া আমি যদি এবাৰ উভতি চাওঁ আমাৰ চৰকাৰখনৰো ইতিবাচক আৰু নেতিবাচক দিশ কেইবাটাও আছে। এটা কথা শলাগ নোলোৱাকৈ নোৱাৰিলো আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডক্টৰ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াক। তেখেতে মুখ্যমন্ত্ৰী পদটো লোৱাৰ দিন ধৰি কৰা কেইটামান ইতিবাচক চিন্তাই সচাঁকৈ আমাৰ অসমৰ মানুহখিনিৰ মাজত সোমাই পৰিছে। শেহতীয়াকৈ দিয়া ‘মাতৃ-পিতৃ বন্দনা’ প্ৰশংসনীয়। কাৰণ এই পদক্ষেপৰ দ্বাৰা পিতৃ -মাতৃৰ অলপ হ’লেও আয়ুস বাঢ়িব। চহৰত থকা পুত্ৰ- বোৱাৰী, জী-জোৱাই, নাতি-নাতিনীৰ সৈতে সম্পূৰ্ণ চাৰিটা দিন অতিবাহিত কৰাৰ সময় খিনি কিমান যে মধুৰ হ’ব পাৰে বাৰু? এই কথাটো এজন মুখ্যমন্ত্ৰীৰ দৰে গুৰু দায়িত্বত থাকিও সেই কথা উপলব্ধি কৰাটো বহুত ডাঙৰ কথা। চহৰীয়া বোৱাৰীজনীয়ে প্ৰায়ে দিনতীয়াকৈ আহি কাহানিও জুহালত একো ৰান্ধি নোপোৱাকৈ থাকি যেতিয়া এই শীতৰ আমেজ লৈ জুহালত খাদ্য ৰান্ধি শাহুয়েকক আজি আপুনি আৰাম কৰি মোৰ ওচৰত বহক আৰু নানা ৰসাল কথাৰে শীতৰ জুহালত আমেজ উঠিব সেই দৃশ্য সঁচাই অপূৰ্ব। কিন্তু এইদিনকেইটা কিমানজনে চহৰলৈ গৈ পাহৰি নাযায় সেইটোহে লক্ষ্যণীয়। দিনটোত এবাৰ হ’লেও সময় উলিয়াই মাক দেউতাকলৈ এটা ফ’ন কৰিব। মনত ৰাখিব সকলোৱে এদিন কাৰোবাৰ শাহু-শহুৰ হ’ব। মাক- দেউতাক যি বাটেৰে যায় ল’ৰা-ছোৱালী ও সেই বাটেৰেই যায়। শেষত মুখ্যমন্ত্ৰী গৰাকীলৈ অশেষ ধন্যবাদ এইধৰণৰ পদক্ষেপৰ বাবে খালি বন্ধটো সকলোৰে বাবে একে হ’লে সুবিধা হয় নেকি ? কাৰণ বহুত চৰকাৰী কৰ্মচাৰীৰ সহধৰ্মিনী শিক্ষয়িত্ৰী। এইক্ষেত্ৰত অলপ মিলাবলৈ অসুবিধা দেখা গৈছে।

ৰাজ্যত ঘোষণা নতুন এছ অ' পি

* অডিটৰিয়াম, হল আদিত ২০০ সৰ্বাধিক ২০০ লোকহে উপস্থিত থাকিব পাৰিব।
* সকলো জিলাৰ দুৰ্যোগ প্ৰশমন বিভাগে মুকলি আৰু বন্ধ স্থানত অনুষ্ঠিত সভাত কিমান লোক উপস্থিত থাকিব সেই সম্পৰ্কে সিদ্ধান্ত ল'ব পাৰিব। বিবাহ আৰু ধৰ্মীয় অনুষ্ঠানত ২০০ তকৈ অধিক লোক উপস্থিত থাকিব নোৱাৰিব।
* সম্পূৰ্ণ ভেকচিন গ্ৰহণ কৰা সৰ্বাধিক ৬০ গৰাকী লোক মুখ্য ধৰ্মীয় অনুষ্ঠানত উপস্থিত থাকিব পাৰিব।
* অন্যান্য ধৰ্মীয় অনুষ্ঠানত ৪০ জনতকৈ অধিক লোক উপস্থিত থাকিব নোৱাৰিব।
* শেষকৃত্য অনুষ্ঠানত ১০০ ত কৈ অধিক লোকে অংশগ্ৰহণ কৰিব নোৱাৰিব।

ক'ভিড চিকিৎসা-

* এতিয়াৰে পৰা ক'ভিড চিকিৎসা বিনামূলীয়া নহ'ব।
* বি পি এল সকলৰ বাবে অৱশ্যে এই চিকিৎসা বিনামূলীয়া হ'ব।
* জৰুৰী অৱস্থাত কোভিড পজিটিভ হৈ চিকিৎসাধীন হ'লেও বিনামূলীয়া হ'ব চিকিৎসা।

কণ্টেইনমেণ্ট জ'ন-

* কোনো এটা অঞ্চলত যদি ৭ দিনত কোভিড আক্ৰান্তৰ সংখ্যা ১০ জনতকৈ বৃদ্ধি পাই তেনেহ'লে সেই অঞ্চলটোক সম্পূৰ্ণ কণ্টেইনমেণ্ট জ'ন ঘোষণা কৰা হ'ব।
* কণ্টেইনমেণ্ট জ'নত অৱশ্যে সকলো ধৰণৰ অত্যাৱশ্যকীয় সেৱা অব্যাহত থাকিব।
* কণ্টেইনমেণ্ট জ'নত গেলা মালৰ দোকান, ফল-মূলৰ দোকান, শাক-পাচলিৰ দোকান খুলিব পাৰিব।
* অত্যাৱশ্যকীয় সামগ্ৰীৰ লগতে খাদ্য, ঔষধ, চিকিৎসা সামগ্ৰী ই-কমাৰ্চৰ ব্যৱস্থা অব্যাহত থাকিব।

জোঁৰ সমদল লৈ কংগ্ৰেছ ভৱন ঘেৰাও

ৰঙিলী বাৰ্ত্তাসেৱা- পঞ্জাৱৰ বাবে সৰ্বাংগীণ বিকাশৰ বাৰ্তা লৈ পঞ্জাৱ ভ্ৰমণৰ সময়ত বিশ্বনেতা, ভাৰতবৰ্ষৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক কংগ্ৰেছ নেতৃত্বাধীন পঞ্জাৱ চৰকাৰে তেওঁৰ নিৰাপত্তাৰ ক্ষেত্ৰত যি ভয়াৱহ গাফিলতি কৰিলে আৰু দেশৰ প্ৰধান মন্ত্ৰী গৰাকীৰ জীৱনলৈ যি চৰম শংকা নমাই অনাৰ দৰে ঘৃণনীয় অপৰাধ সংঘটিত কৰিলে সেয়া অতিকৈ নিন্দনীয়। কংগ্ৰেছ দলৰ এনে কাৰ্যক ভাৰতীয় জনতা পাৰ্টি তিনিচুকীয়া জিলা সমিতিৰ লগতে যুৱ মৰ্চাকে আদি কৰি সাতোটা মৰ্চাই অতি তীব্ৰ ভাষাৰে গৰিহণা দিছোঁ। এইয়া সমগ্ৰ ভাৰতবাসীৰ বাবে অপমানজনক কথা। দেশৰ মাননীয় প্ৰধানমন্ত্ৰী জনকো কংগ্ৰেছ দলে সন্মান দিব নাজানিলে। তেওঁলোকে সাধাৰণ ৰাইজক কেনেদৰে সুৰক্ষা দিব! পঞ্জাৱ চৰকাৰৰ এই ভয়াৱহ গাফিলতিক আজি সমগ্ৰ দেশবাসীয়ে নিন্দা কৰিছে। এই ঘটনাই প্ৰমাণিত কৰিলে যে, কংগ্ৰেছ চৰকাৰ ভাৰতবৰ্ষৰ সংসদীয় গণতন্ত্ৰৰ বিচাৰধাৰাৰ পৰিপন্থী আৰু ভাৰত বাসীৰ প্ৰতি তথা ভাৰত বাসীৰ প্ৰতিনিধিৰ প্ৰতি তেওঁলোকৰ দায়বদ্ধতা কেৱল মাত্ৰ নিৰ্বাচনী শ্লোগানহে। কংগ্ৰেছ আৰু দেশদ্ৰোহী যেন এটা মুদ্ৰাৰ ইপিঠি-সিপিঠি। প্ৰধানমন্ত্ৰীৰ জীৱনক তুচ্ছ জ্ঞান কৰা এনে অমানৱীয় মানসিকতাক আমি একমুখে ধিক্কাৰ দিছোঁ। কংগ্ৰেছৰ এনে নিকৃষ্ট মানসিকতা তথা প্ৰধানমন্ত্ৰীৰ নিৰাপত্তাৰ ক্ষেত্ৰত দেখুওৱা এনে গাফিলতিক অপৰাধ হিচাবে গণ্য কৰা হৈছে। তাৰেই প্ৰতিবাদস্বৰূপে তিনিচুকীয়া কচুজান খেলপথাৰৰ পৰা কংগ্ৰেছ ভৱনলৈ জোঁৰ সমদল উলিওৱাৰ লগতে কংগ্ৰেছ ভৱন ঘেৰাও কাৰ্য্যসূচী গ্ৰহণ কৰা হয়। কাৰ্য্যসূচীত বিজেপি তিনিচুকীয়া জিলাৰ সভাপতি কুশকান্ত বড়া, উপ-সভাপতি দুলাল চন্দ্ৰ ৰয়, সাধাৰণ সম্পাদক পুলক চেতিয়া, জ্যেষ্ঠ কাৰ্য্যকৰ্তা ভবেন শৰ্মা, জিলা যুৱ মৰ্চাৰ সভাপতি সিদ্ধাৰ্থ প্ৰতীম বৰুৱা, সাধাৰণ সম্পাদক দিগম্বৰ নেওগকে আদি কৰি দলীয় কাৰ্য্যকৰ্তাসকল উপস্থিত থাকে।

গুৱাহাটী প্ৰেছ ক্লাবত খিলঞ্জীয়া মঞ্চৰ দ্বি-বাৰ্ষিক অধিৱেশন

ৰঙিলী বাৰ্ত্তাসেৱা- অসমৰ সৰু বৰ খিলঞ্জীয়া জাতি-জনগোষ্ঠীৰ স্বকীয় বৈশিষ্ট্য, ৰাজনৈতিক অধিকাৰ, আৰ্থ সামাজিক তথা ভাষা সংস্কৃতিৰ সুৰক্ষাৰ বাবে কাম কৰিবলৈ ২০১৭ চনত জন্ম হোৱা খিলঞ্জীয়া মঞ্চ, অসমৰ দ্বিতীয় দ্বি-বাৰ্ষিক অধিৱেশনখন গুৱাহাটী প্ৰেছ ক্লাবত দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হয়। অধিৱেশনৰ প্ৰথম কাৰ্যসূচী হিচাপে মঞ্চৰ মুখ্য আহ্বায়ক অনুপ চেতিয়াই হাতীগাঁওস্থিত মুখ্য কাৰ্যালয়ত পুৱাৰ ভাগত পতাকা উত্তোলন কৰে। প্ৰেছ ক্লাবত শ্বহীদ তৰ্পনেৰে আৰম্ভ কৰে মঞ্চৰ উপদেষ্টা লাচিত বৰদলৈয়ে। মুখ্য আহ্বায়ক অনুপ চেতিয়াই পৌৰোহিত্য কৰা সভাত আদৰণি ভাষণ দিয়ে সদস্য সচিব মৃনাল হাজৰিকাই। সভাত বিশিষ্ট নিবন্ধকাৰ ময়ুৰ বৰাই ভাৰত চৰকাৰৰ প্ৰতাড়নাৰ ইতিহাস ব্যাখ্যা কৰি খিলঞ্জীয়া লোকসকল ঐক্যবদ্ধ হৈ যুঁজ দিয়াৰ প্ৰয়োজন বুলি কয়। সভাত সোনোৱাল কছাৰী ছাত্ৰ সন্থাৰ সভাপতি ৰতন কছাৰী, হাজং ছাত্ৰ সন্থাৰ সভাপতি সঞ্জীৱ হাজং, সদৌ ডিমাছা ছাত্ৰ সন্থাৰ উপদেষ্টা প্ৰফুল্ল হাফিলা, কলিতা জনগোষ্ঠীৰ অনিল মেধি, নাথ-যোগী সন্মিলনৰ উদয় চন্দ্ৰ নাথ, জাতীয়তাবাদী যুৱ পৰিষদৰ উদয়ন গগৈ, মনিপুৰী ছাত্ৰ সন্থাৰ মনিতন সিং, কোঁচ সন্থাৰ শোভিত কোঁচ, দালু সমাজৰ শিৱেন্দ্ৰ দালু, গৰিয়া মৰিয়া দেশী জাতীয় পৰিষদৰ চাহিদ আলী আহমেদ, গৰিয়া পৰিষদৰ জেনিফাৰ হুছেইন, সৰ্ব ভাৰতীয় জনজাতি ছাত্ৰ সংগঠনৰ দীপেন দেউৰী, প্ৰাক্তন আলফা ঐক্য মঞ্চৰ লোহিত দেউৰী, শালৈ সন্মিলনৰ ডাঃ তিলক হাজৰিকা, কুমাৰ সন্মিলনৰ মহানন্দ কুমাৰ, খিলঞ্জীয়া অধিকাৰ মঞ্চৰ অমিতাভ শৰ্মা আদিয়ে সভাত বক্তব্য ৰাখে। সভাত অনুপ চেতিয়াক মুখ্য উপদেষ্টা, লাচিত বৰদলৈক উপদেষ্টা, মৃনাল হাজৰিকাক সভাপতি আৰু প্ৰফুল্ল হাফিলাক সাধাৰণ সম্পাদক হিচাপে লৈ এখন সমিতি গঠন কৰে। উক্ত সভাতে কেইবাটাও প্ৰস্তাৱ গ্ৰহণ কৰে।

কৰ'না ভাইৰাছৰ বিৰুদ্ধে ৰোগ প্ৰতিৰোধে ক্ষমতা বৃদ্ধিৰ বাবে জীৱনশৈলীত যোগক এক অবিচ্ছেদ্য অংগহিচাপে গ্ৰহণ কৰিবলৈ সকলোকে আহ্বান জনাইছোঁ: সোণোৱাল

ৰঙিলী বাৰ্ত্তসেৱা- কেন্দ্ৰীয় আয়ুষ মন্ত্ৰী তথা কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে ব্ৰহ্মপুত্ৰ ৰাজ্যিক অতিথিশালাত সংবাদ মাধ্যমৰ লোক সকলক সম্বোধন কৰে আৰু কৰ'না ভাইৰাছৰ বিৰুদ্ধে ৰোগে প্ৰতিৰোধে ক্ষমতা বৃদ্ধিৰ বাবে সকলাকে তেওঁলাকেৰ জীৱনত যাগেক এক অবিচ্ছেদ্য অংগ হিচাপে গ্ৰহণ কৰিবলৈ আহ্বান জনায়। তেওঁ জনায় যে আয়ুষ মন্ত্ৰালয়ে কৰোনাৰ বিৰুদ্ধে যুঁজত ৰোগে প্ৰতিৰোধ ক্ষমতা বৃদ্ধি কৰিবলৈ আৰু মহামাৰীৰ সময়ত জনসাধাৰণক

(পাঁচপৃষ্ঠাত চাওক)

তথ্য আৰু জনসংযোগ সঞ্চালকালয়ৰ উদ্যোগত অন্তৰংগ আলাপ অনুষ্ঠান

দিছপুৰ,ৰঙিলী বাৰ্তাসেৱা ঃ অসম গ্ৰন্থমেলাৰ বাকৰিত তথ্য আৰু জনসংযোগ সঞ্চালকালয়ৰ সৌজন্যত সঞ্চালকালয়ৰ প্ৰদৰ্শনী কক্ষত যোৱা ৪ জানুৱাৰীৰ পৰা ‘অন্তৰংগ আলাপ’ শীৰ্ষক এক মত-বিনিময় অনুষ্ঠানৰ আয়োজন কৰা হয়।

ৰ জৰিয়তে প্ৰচাৰ হোৱা এই অনুষ্ঠানে দৰ্শকৰ পৰা ইতিমধ্যে ব্যাপক সহঁাৰি লাভ কৰিছে। তথ্য আৰু জনসংযোগৰ সঞ্চালক বিষ্ণু কমল বৰাৰ বিশেষ উদ্যোগত অনুষ্ঠিত কৰা এই ‘অন্তৰংগ আলাপ’ত প্ৰথম দিনা সাহিত্য অকাডেমি বঁটা প্ৰাপক গল্পকাৰ অৰ্পূব কুমাৰ শইকীয়া, গল্পকাৰ তথা সাতসৰী কাকতৰ কাৰ্যবাহী সম্পাদক অতনু ভট্টাচাৰ্যৰ লগতে গল্পকাৰ অৰ্চনা বৰঠাকুৰ, মনিকা দেৱী আৰু মনোৰঞ্জন বড়ি উপস্থিত থাকে। গল্পৰ আড্ডা শীৰ্ষক এই মত-বিনিময় অনুষ্ঠানত গল্প এটা সৃষ্টিৰ আঁৰৰ বিভিন্ন ঘটনা আৰু চিন্তা সম্পৰ্কে আলোচকসকলে ৰসিকতাপূৰ্ণ আৰু চিন্তাকৰ্ষক বক্তব্য আগবঢ়ায়। লগতে সাম্প্ৰতিক সময়ত গল্পৰ ধাৰা আৰু ইয়াত আহি পৰা ইতিবাচক আৰু নেতিবাচক দিশসমূহো তেওঁলোকে পৰ্যালোচনা কৰে।

৫ জানুৱাৰীত বিশিষ্ট লেখিকা ৰীতা চৌধুৰীৰ সৈতে হোৱা ‘অন্তৰংগ আলাপ’ অনুষ্ঠানত কেইবাগৰাকী যুৱলেখক ঋপম দত্ত, ৰামানুজ গোস্বামী, ধ্ৰুৱজ্যোতি অৰ্জুনা, উজ্জ্বল দিপ্লু গগৈ আৰু পাপু লেকটিবেজ উপস্থিত থাকে। উপৰুৱা খ্যাতিত ভোল নগৈ নৱ প্ৰজন্মই প্ৰজ্ঞা আৰু সাধনাৰ বাটেৰে সাহিত্য-চৰ্চা কৰিলে অসমীয়া ভাষা আৰু সাহিত্য সদায় সমৃদ্ধিশালী হৈ থাকিব বুলি মন্তব্য কৰে সাহিত্য অকাডেমি বঁটা প্ৰাপক লেখিকা ৰীতা চৌধুৰীয়ে। যুৱ লেখক কেইজনেও সামাজিক মাধ্যমৰ লগতে ছপা মাধ্যমৰ গুৰুত্বৰ কথা স্বীকাৰ কৰাৰ লগতে লেখক হিচাপে তেওঁলোকৰ বিভিন্ন অভিজ্ঞতাসমূহ দাঙি ধৰে।

৬ জানুৱাৰীত তথ্য আৰু জনসংযোগ সঞ্চালকালয়ৰ প্ৰদৰ্শনী কক্ষত বিশিষ্ট সাহিত্যিক তথা সাংবাদিক অনুৰাধা শৰ্মা পুজাৰীক ২০২১ বৰ্ষৰ সাহিত্য অকাডেমি বঁটা লাভ কৰাৰ বাবে আনুষ্ঠানিকভাৱে সম্বৰ্দ্ধনা জ্ঞাপন কৰা হয়। অন্তৰংগ আলাপ অনুষ্ঠানত অংশগ্ৰহণ কৰি লেখিকাগৰাকীয়ে তেওঁৰ বিভিন্ন সৃষ্টিৰাজিৰ আঁৰত লুকাই থকা সাধনা আৰু অভিজ্ঞতাৰ বিষয়ে জনোৱাৰ লগতে বঁটা প্ৰাপ্তিয়ে আনন্দৰ লগতে দায়বদ্ধতাও বৃদ্ধি কৰে বুলি মন্তব্য কৰে।

‘অন্তৰংগ আলাপ’ অনুষ্ঠানৰ শেষৰ দিনা, ৭ জানুৱাৰীত ‘অসমত গ্ৰন্থ উদ্যোগৰ ভৱিষ্যত’ শীৰ্ষক এক আলোচনা অনুষ্ঠিত হয়। আলোচনাত উপস্থিত থাকে আক্-বাক্ প্ৰকাশন গোষ্ঠীৰ স্বত্বাধিকাৰ সৌমিত্ৰ যোগী, অসমীয়া ভাষা আৰু চফ্‌ট্‌ৱেৰ বিকাশ কেন্দ্ৰ, প্ৰকাশন গোষ্ঠীৰ স্বত্বাধীকাৰী অনিল বৰুৱা আৰু বনলতা প্ৰকাশন গোষ্ঠীৰ মনীষ হাজৰিকা, উপন্যাসিকা ইন্দ্ৰাণী শৰ্মা আৰু গল্পকাৰ জিন্তু গীতাৰ্থ। আলোচনাত অসমীয়া ছপা আৰু ডিজিটেল মাধ্যমক পৰস্পৰৰ পৰিপূৰক হিচাপে গঢ়ি তুলি গুণগত সাহিত্যৰ লগতে জনপ্ৰিয় সাহিত্য সৃষ্টিৰ জড়িয়তে অসমৰ গ্ৰন্থ আন্দোলনক ইতিবাচক দিশত আগুৱাই নিয়াৰ ক্ষেত্ৰত আলোচকসকলে সহমত প্ৰকাশ কৰে।

তথ্য আৰু জনসংযোগ সঞ্চালকালয়ৰ অতিৰিক্ত সঞ্চালক প্ৰদীপ ব্ৰহ্মাই আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰা অনুষ্ঠানটোৰ আটাইকেইদিনৰ অনুষ্ঠানৰ আঁত ধৰে জ্যেষ্ঠ তথ্য আৰু জনসংযোগ বিষয়া শিখা শইকীয়াই। অনুষ্ঠানটো সূচাৰুৰূপে পৰিচালনা কৰাত সহায় আগবঢ়ায় সঞ্চালকালয়ৰ জ্যেষ্ঠ বিষয়া ক্ৰমে প্ৰমোদ কুমাৰ দত্ত, জাহিদ আহমেদ তাপাদাৰ, ইফতিখাৰ জামানে।

অসম গ্ৰন্থমেলাৰ তথ্য আৰু জনসংযোগ সঞ্চালকালয়ৰ প্ৰদৰ্শনী কক্ষ পৰিদৰ্শন কৰিলে মুখ্যমন্ত্ৰীয়ে

দিছপুৰ,ৰঙিলী বাৰ্তাসেৱাঃ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি অসম অভিযান্ত্ৰিক প্ৰতিষ্ঠানৰ খেলপথাৰত চলি থকা অসম গ্ৰন্থমেলাৰ তথ্য আৰু জনসংযোগ সঞ্চালকালয়ৰ প্ৰদৰ্শনী কক্ষ পৰিদৰ্শন কৰে। পৰিদৰ্শনকালত মুখ্যমন্ত্ৰীয়ে জনসংযোগ সঞ্চালকালয়ৰ দ্বাৰা ৰাজ্যখনৰ উন্নয়নমূলক কামৰ প্ৰচাৰৰ বাবে প্ৰকাশিত পুস্তিকাসমূহ প্ৰত্যক্ষ কৰে আৰু আশা প্ৰকাশ কৰে যে এই প্ৰচাৰ পুস্তিকাৰ জৰিয়তে জনসাধাৰণ চৰকাৰৰ বিভিন্ন জনকল্যাণমূলক আঁচনিসমূহৰ বিষয়ে অৱগত হ’ব।

পৰিদৰ্শনৰ সময়ত তথ্য আৰু জনসংযোগৰ সঞ্চালক বিষ্ণু কমল বৰা প্ৰমুখ্যে অন্যান্য বিষয়াসকল উপস্থিত থাকে।

কুমাৰ ভাস্কৰ নাট্য মন্দিৰত জাতীয় শিক্ষানীতিৰ বিৰুদ্ধে ৰাজ্যিক শিক্ষা অভিৱৰ্তন

ৰঙিলী বাৰ্তাসেৱা- অল ইণ্ডিয়া ডি এছ অ’ৰ অসম ৰাজ্যিক কমিটীৰ উদ্যোগত গুৱাহাটীৰ কুমাৰ ভাস্কৰ নাট্য মন্দিৰৰ প্ৰেক্ষাগৃহত জাতীয় শিক্ষানীতিৰ বিৰুদ্ধে ৰাজ্যিক শিক্ষা অভিৱৰ্তন অনুষ্ঠিত হয়। অভিৱৰ্তনত সভাপতিত্ব কৰে অল ইণ্ডিয়া ডি এছ অ’ অসম ৰাজ্যিক কমিটীৰ সভাপতি প্ৰজ্বোল দেৱে। আৰম্ভণিতে অভিৱৰ্তন উদ্বোধন কৰে বিশিষ্ট শিক্ষাবিদ ড° ঘনশ্যাম নাথে। অধ্যাপক আব্দুছ ছবুৰে জাতীয় শিক্ষা নীতিয়ে কিদৰে শিক্ষাৰ ব্যৱসায়ীকৰণ আৰু সাম্প্ৰদায়িকীকৰণৰ প্ৰক্ৰিয়াক চূড়ান্ত ৰূপ দিব সেয়া ব্যাখ্যা কৰে। অভিৱৰ্তনৰ মূল প্ৰস্তাৱ উত্থাপন

কৰি চৰকাৰৰ সকলো ধৰণৰ শিক্ষা বিৰোধী নীতিৰ বিৰুদ্ধে উন্নত নীতি- নৈতিকতা মূল্যবোধৰ ভিত্তিত ছাত্ৰ আন্দোলনক আগুৱাই লৈ যোৱাৰ বাবে সংকল্প গ্ৰহণ কৰাৰ আহ্বান জনায় অল ইণ্ডিয়া ডি এছ অ’ৰ ৰাজ্যিক সম্পাদক হেমন্ত পেগুৱে। অভিৱৰ্তনত উপস্থিত থাকি অল ইণ্ডিয়া ডি এছ অ’ সৰ্বভাৰতীয় কমিটীৰ সাধাৰণ সম্পাদক সৌৰভ ঘোষে ভাষণ দিয়ে।

১৫-১৮ বছৰ বয়সৰ ২ কোটিৰো অধিক শিশুক কোভিড ভেকছিনৰ প্ৰথম পালি প্ৰদান

ৰঙিলী বাৰ্তাসেৱা- কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰী ড° মনসুখ মাণ্ডৱিয়াই কয় যে ১৫-১৮ বছৰ বয়সৰ ২ কোটিৰো অধিক শিশুক কোভিড-১৯ ভেকছিনৰ প্ৰথম পালি প্ৰদান কৰা হৈছে। স্বাস্থ্যমন্ত্ৰী গৰাকীয়ে লগতে কয় যে শিশুসকলৰ বাবে টিকাকৰণ অভিযান আৰম্ভ হোৱাৰ এসপ্তাহৰো কম সময়ৰ ভিতৰতে ইমান শিশুক ভেকছিন প্ৰদান কৰা হৈছে। ১৫ ৰ পৰা ১৮ বছৰবয়সৰ শিশুৰ বাবে কোভিড-১৯ টিকাকৰণ ৩ জানুৱাৰী, ২০২২ৰ পৰা আৰম্ভ হৈছিল।

ক'ৰনা মহামাৰীৰ সময়ত জনসাধাৰণৰ সামাজিক সচেতনতা আৰু দায়বদ্ধতা

মানসী মিশ্ৰ

সমগ্ৰ বিশ্বকে ছানি ধৰিছে ক'ৰনা মহামাৰীয়ে। বিগত দুটা বৰ্ষ ধৰি কৰনা মহামাৰীয়ে সমগ্ৰ বিশ্ববাসীক শংকিত কৰি ৰাখিলে। বিশ্বৰ আটাইতকৈ উন্নত দেশবোৰৰ জনজীৱন স্তব্ধ কৰিলে এই মহামাৰীয়ে। বিশ্ব অৰ্থনীতি স্তব্ধ কৰি পেলালে। বহু লোক অকালতে হেৰাই গ'ল পৃথিৱীৰ পৰা। আমাৰ নিজৰ দেশ ভাৰতবৰ্ষও বেয়া ধৰণে ক্ষতিগ্ৰস্থ হ'ল। ভাৰতৰ দৰে উন্নয়নশীল দেশ এখনৰ আৰ্থসামাজিক জীৱন স্তব্ধ কৰি পেলালে বুলি ক'লেও ভুল নহয় । ভাৰতবৰ্ষৰ প্ৰতিখন অংগ ৰাজ্যতে বহু খাটি খোৱা লোক আছে, দিন হাজিৰা কৰি পেট প্ৰৱৰ্ত্তন কৰা লোক আছে। গতিকে মহামাৰীৰ এই সময়চোৱাত তেওঁলোকৰ জীৱিকা প্ৰায় অচল হৈ গ'ল। এতিয়া আকৌ সমগ্ৰ বিশ্বত আৰম্ভ হ'ল কোভিদৰ তৃতীয়টো ঢৌ। বিশ্বৰ ভিন্ন প্ৰান্তৰ লগতে ভাৰতবৰ্ষৰো ভিন্ন ঠাইত আৰু আমাৰ নিজৰ ৰাজ্য খনতে সংক্ৰমিত হ'বলৈ লৈছে। প্ৰায় এশবছৰৰ মুৰত একবিংশ শতিকাৰ শিক্ষিত, তথ্য প্ৰযুক্তিৰ জ্ঞানেৰে সমৃদ্ধ ৰাইজে কৰণা মহামাৰীৰ সংহাৰী ৰূপ প্ৰত্যক্ষ কৰিছে ভালদৰে। অৱশ্যে এই মহামাৰীয়ে ৰাইজক নিজৰ জীৱনৰ বাবে প্ৰয়োজনীয় বহু কথা যেনে কৰ্তব্য নিষ্ঠা, দায়বদ্ধতা, সামাজিক সচেতনতা, উদাৰতা আদি বহু গুনৰে বিকাশ ঘটালে এই সময়ছোৱাত। ক'ৰনা মহামাৰীৰ এই মহাযুদ্ধৰ সময়ত একেবাৰে সমুখৰ পৰা জঁপিয়াই পৰিছে আমাৰ দেশৰ চিকিৎসক আৰু অন্যান্য চিকিৎসা কৰ্মী সকল। সৰ্বসাধাৰণ ৰাইজক নিজক সুৰক্ষিত ৰখাৰ হকে ঘৰৰ ভিতৰত আবদ্ধ কৰি ৰখাৰ হকে বাৰে বাৰে আহ্বান জনাই নিজে আন শত্ৰুৰ সৈতে যুঁজ দিছে । ঘৰত নিজৰ পৰিয়ালক এৰি আহি পযেক, মাহ হস্পিতালৰ কৰ্তব্যত আত্মনিয়োগ কৰিছে তেওঁলোকে। বহু মহিলা চিকিৎসক, চিকিৎসা কৰ্মীয়ে নিজৰ কেঁচুৱা সন্তানক পৰিয়ালত এৰি থৈ আহি দিন-ৰাতি ক'ৰনা আক্ৰান্ত ৰোগী সকলক সুস্থ কৰি তুলিবলৈ অহোপুৰুষাৰ্থ কৰিছে। চিকিৎসা বৃত্তিটো যে তেওঁলোকৰ বাবে একমাত্ৰ পেছাই নহয়, ইয়াৰ যোগেদি মানৱ সেৱাৰ এক মহৎ উদাহৰণ দাঙি ধৰিব পৰা যায়। সেয়া হাতে কামে দেখুৱাই দিছে। প্ৰসৱকালীন ছুটিৰ বাহিৰে চিকিৎসকসকলৰ সকলো ছুটিয়েই বাতিল হ'ল এই সময়ছোৱাত। জনসাধাৰণৰ হিতৰ কাৰণে এনে এক সংকটপূৰ্ণ অৱস্থাত আইন শৃঙ্খলাৰ দিশটো সম্পূৰ্ণ চোৱাচিতা কৰি প্ৰয়োজন হ'লে জনসাধাৰণক শৃংখলিত ভাৱে ৰখাৰ বাবে শান্তি আৰু সুৰক্ষাৰ দায়িত্বত থকা আৰক্ষী বিভাগৰ লোক সকলেও দিন ৰাতি একাকাৰ কৰিছে। বহু ঠাইত দেখিবলৈ পোৱা গ'ল যে আৰক্ষী বিষয়া, কৰ্মচাৰী সকলে নিজৰ দায়িত্ব, কৰ্তব্য সুকলমে সম্পাদন কথাৰ উপৰিও কোভিদ মহামাৰীৰ সময়চোৱাত দুৰ্গত, আৰ্তজনক সহায় কৰিবলৈ আগবাঢ়ি আহিছে। নিজস্ব ধনেৰে ফুটপাথৰ ওপৰৰ অসহায় লোক সকলক, বাহিৰৰ পৰা উভতি অহা সকলৰ লগতে ইয়াতো থকা বহু দৰিদ্ৰ লোকক সহায় কৰি তেওঁলোকে মানবতাৰ দৃষ্টান্ত দাঙি ধৰিছে। বিশেষকৈ সমাজত থকা বৃদ্ধলোক সকল, শাৰীৰিকভাৱে প্ৰত্যাহ্বান যুক্ত লোকসকলক অগ্ৰাধিকাৰ দি তেওঁলোকৰ মাজত অত্যাৰশ্যকীয় সামগ্ৰী বিতৰণত আগভাগ লৈছে যাতে এই সময় ছোৱাত এই সকল লোকে আহুকালত পৰিবলগীয়া নহয়।

ঠিক তেনেদৰে সংবাদকৰ্মী সকল, বিভিন্ন বেচৰকাৰী সংস্থাৰ বিষয়ববীয়া সকলে লগতে সকলো ধৰণৰ

(আঠপৃষ্ঠাত চাওক)

আইতাৰ সাধু

চম্পক বেজবৰুৱা
নলবাৰী (অসম)

জোনোৱালী গধূলি
আগচোতালত ঢাৰি পাৰি,
আইতাৰ সাধু শুনি
আমি বহোঁ শাৰী শাৰী ।
আইতাৰ সাধুকথাত
সৰগ নামি আহে,
আমাৰ অকণি মনটি
তৰাৰ দেশলৈ উৰা মাৰে ।
আইতাই তামোল খায়
হাঁহি হাঁহি কয়,
“যদি তহঁতে ভালকৈ পঢ়া- শুনা কৰ ;
তেন্তে সাধুকথাৰ পৃথিৱীত
নিতৌ লৈ যাম মই”
আইতাৰ সাধুত
নাজানোঁ আছে কি যাদু !
আইতাই সাধু ক'লে
আনন্দত বিভোৰ হওঁ
আৰু কেতিয়া টোপনি আহে
গমকে নাপাওঁ ।

“তোমালৈ বুলি”

হিমাদ্ৰী বৰকটকী,
শিৱনগৰ, নগাঁও

বেলি অস্ত যোৱাৰ পৰত তোমালৈ বুলি মই বৈ আছিলো শিমলু জোপাৰ তলত । কিজানি তুমি অহাৰ আশাত। সেই দিনতো মই কেনেকৈ পাহৰিম, তুমি মোক আশা দি অথাই সাগৰত এৰি থৈ গৈছিলা। বিগত চচ টা বছৰে মই তোমালৈ অপেক্ষা কৰিছিলোঁ। এটা এটা দিন কেনেকৈ কটাইছিলো ভাবিলে মোৰ বুকুখন আজিও বিষাই যাই। তুমি দিয়া প্ৰতিটো বস্তু মই সযতনে ৰাখিছোঁ । মাজে মাজে উলিয়াই চাও আৰু অনুভৱ কৰোঁ তোমাৰ উপস্থিতি। তোমাৰ আশাত বন্দী হৈ মই আজিলৈকে বিয়াত নবহিলো, কিজানি তুমি মোক বিচাৰি আহাই । কিন্তু নাই তোমাৰ খবৰ খাতি এটাও নাই। বহুতে মোক পাগলী বুলিও কৈছিল, কাৰণ মই দিন নাই ৰাতি নাই মন গলেই শিমলু জোপাৰ তলত বহি থাকোগৈ। তোমাৰ আৰু মোৰ মাজত থকা প্ৰেমৰ চানেকি সেই শিমলুজোপা । সেই শিমলুজোপা একেই আছে মাথো তুমিহে সলনি হ'লা । বহুত দিনৰ মুৰত মই কাৰোবাৰ মুখত শুনিলো তুমি বিয়া পাতিলা বুলি। সেইদিনা মোৰ বুকুখন উচুপি উঠিছিল। অহৰহ চকুৰ পানী নিগৰিত হৈছিল। শিতানৰ গাৰো চকুৰ পানীৰে তিতি গৈছিল। আজি তুমি ২২ বছৰৰ মুৰত ঘুৰি আহিছা মোৰ কাষলৈ তোমাৰ

"তোমালৈ বুলি"

পত্নীৰ বিয়োগ হোৱা খবৰটো দিবলৈ। মই সঁচাই দুঃখ পাইছোঁ খবৰটো শুনি। তোমাৰ বোলে এজনী মৰম লগা ছোৱালীও আছে। কিন্তু মই আজি নিৰুপাই। তুমি দিয়া বিয়াৰ প্ৰস্তাৱ এতিয়া মই গ্ৰহণ কৰিব নোৱাৰিম। কাৰণ বিগত ২২ টা বছৰে মই তোমালৈ ৰৈ আছিলো এটাই আশাত কিযানি তুমি মোক এদিন গ্ৰহণ কৰাই। কিন্তু মই ভাবিলো মই তোমাৰ য্যোগ্য নহয়। জনানে তুমি, মোৰ অন্তৰখনে সেইদিনা খুব কন্দিছিল । মই মৰিম বুলি ভাবিও মাৰিব নোৱাৰিলোঁ, কেবল মাৰ মুখলৈ চাই। দেউতাৰ মৃত্যুৰ পিছত ময়েই মাৰ শেষ ভৰষা । গতিকে মই আজি নিৰূপাই তোমাৰ প্ৰস্তাৱ গ্ৰহণ কৰিবলৈ। সময়ে মোক জীয়াই থাকিবলৈ এতিয়া শিকাই দিছে। সেই দিনবোৰ সময়ৰ লগত বাগৰিল। এতিয়া মই তোমাৰ দি থৈ যোৱা স্মৃতি খিনিকে লৈ জীয়াই আছোঁ। মই এতিয়া নিৰূপাই ।

ইতি,
তোমাৰ....

কৰ'না ভাইৰাছৰ বিৰুদ্ধে ৰোগ

ফিট ৰখাত সহায় কৰিবলৈ চ্যাৱনপ্ৰশ, শংখমণি বাতি, অনু টেইল আৰু আয়ুষ কোৱাথক লৈ "আয়ুৰক্ষা কিট" নামৰ এক আয়ুৰ্বেদিক কিট বিকশিত কৰিছে। সোণোৱালে লগতে অৱগত কৰে যে, যিহেতু দেশখনে ক'ভিড-১৯ সংক্ৰমণৰ আন এক প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে, সেই পৰিপ্ৰেক্ষিতত দেশৰ সমগ্ৰ স্বাস্থ্য ব্যৱস্থাই এই মহামাৰীৰ উপযুক্ত প্ৰত্যুত্তৰ দিবলৈ ভালদৰে সাজু হৈছে। তেওঁ জনায় যে, আয়ুষ মন্ত্ৰালয়ে স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয়ৰ সৈতে ওতপ্ৰোত সমন্বয়ৰ মাজেৰে কাম কৰি আছে আৰু পাৰস্পৰিক সহযোগিতাৰে বিভিন্ন স্বাস্থ্য প্ৰণালীৰ কাৰ্যকাৰীতা ফলপ্ৰসূ আৰু ক্ষিপ্ৰতাৰে কৰাত গুৰুত্ব আৰোপে কৰিছে। আয়ুষ মন্ত্ৰালয়ে ক'ভিড সংক্ৰমণৰ পৰা সুৰক্ষিত থাকিবলৈ জাৰি কৰা নিৰ্দেশনা সুচাৰুৰূপে অনুসৰণ কৰিবলৈ সকলোকে আহ্বান জনায়। তেখেতে কয় যে, সময়োচিত আয়ুষ পৰীক্ষণ প্ৰণালীত ক'ভিড-১৯ৰ ব্যৱস্থাপনা আৰু চিকিৎসাৰ বাবে বহুতো প্ৰমাণিত উপায় আছে। সেয়েহে, মৃদুৰ পৰা মধ্যমীয়া ক'ভিড সংক্ৰমণত হোম আইচ'লেশ্যনত থকা লোক সকলে যোগ্য চিকিৎসকৰ সৈতে আলাচেনা কৰি আয়ুষ-৬৪ বা কাবাচুৰা কুডিনাৰ গ্ৰহণ কৰিব পাৰে। লগতে, নিয়মিতভাৱে যোগাভ্যাস কৰিবলৈ আৰু সংক্ৰমণ প্ৰতিৰোধে কৰিবলৈ স্বাস্থ্যসন্মত আয়ুষ আহাৰ গ্ৰহণ কৰিবলৈ সোণোৱালে পৰামৰ্শ দিয়ে। তদুপৰি তেওঁ উল্লেখ কৰে যে আয়ুষ মন্ত্ৰালয়ে সকলো পৰিস্থিতি নিবিড়ভাৱে নিৰীক্ষণ কৰি আছে আৰু সেইমৰ্মে প্ৰাসঙ্গিক নিৰ্দেশনা জাৰি কৰি আছে।

মহিলাসকলৰ এনিমিয়া প্ৰতিৰোধৰ উপায়

ডাঃ বিজিতা চুতীয়া



নেচনেল ফেমিলী হেল্থ ছাৰ্ভে (NFHS) ২০১৬ৰ সমীক্ষা মতে ভাৰতবৰ্ষৰ প্ৰায় ৫১ শতাংশ মহিলা এনিমিয়াত আক্ৰান্ত। এনিমিয়াই বহু মিলিয়ন মহিলা আৰু কিশোৰীৰ স্বাস্থ্যৰ অৱনতি ঘটোৱাৰ উপৰি আহিবলগীয়া প্ৰজন্মৰো বৃদ্ধি আৰু বিকাশত কুপ্ৰভাৱ পেলায়। আমাৰ শৰীৰৰ তেজত যেতিয়া হিম'গ্লবিনৰ পৰিমাণ কমি যায় তেতিয়াই এনিমিয়া বা ৰক্তহীনতাই দেখা দিয়ে। পুৰুষ, মহিলা উভয়ে এনিমিয়াত আক্ৰান্ত হয় যদিও বিশেষকৈ কিশোৰ-কিশোৰীসকল, গৰ্ভৱতী মহিলা, দুগ্ধপান মাতৃ, কেঁচুৱা তথা শিশুসকল, পুষ্টিহীনতাত ভোগাসকল বেছিকৈ এনিমিয়াত আক্ৰান্ত হয়।

মহিলাসকলে নিজৰ শাৰীৰিক স্বাস্থ্যৰ প্ৰতি গুৰুত্ব দিয়া অতি আৱশ্যক। কিয়নো ৫০ শতাংশৰো অধিক মহিলা গৰ্ভৱতী হোৱাৰ আগৰ পৰাই এনিমিয়াত আক্ৰান্ত হয়। সেয়ে এনিমিয়াৰ কুপ্ৰভাৱ আৰু ইয়াৰ প্ৰতিৰোধ সম্পৰ্কে মহিলা আৰু কিশোৰীসকল অৱগত হোৱাটো অতি জৰুৰী।

এনিমিয়া বিভিন্ন ধৰণৰ হ'ব পাৰে; যেনে-

১) আইৰনৰ অভাৱত হোৱা এনিমিয়া (Iron Deficiency Anaemia)

২ এপ্লাষ্টিক এনিমিয়া (Aplastic Anaemia)

৩ মেগাল'ব্লাষ্টিক এনিমিয়া (Megaloblastic Anaemia)

এনিমিয়াৰ কাৰণসমূহ :

১) খোৱা খাদ্যত আইৰন বা লৌহযুক্ত তত্ত্বৰ অভাৱ।

২) ভিটামিন B12 আৰু ফলেটৰ অভাৱ।

৩) শৰীৰত উপযুক্ত পৰিমাণে আইৰনৰ অৱশোষণ নোহোৱাৰ ফলত।

৪) দুৰ্ঘটনাৰ ফলত শৰীৰৰ কোনো স্থানৰ পৰা অতিমাত্ৰা ৰক্তপাত হ'লে।

৫) বিভিন্ন ধৰণৰ ৰোগ যেনে- ৰক্তস্ৰাৱযুক্ত পাইল্‌ছ, কলন কেৰ্, এণ্ডমেট্ৰিঅ'ছিছ, ulcerative colitis, মেলিনা, গেষ্ট্ৰিক বা পেপটিক আলছাৰ ইত্যাদিৰ ফলত।

৬) পেলুৰ সংক্ৰমণৰ ফলত।

ইয়াৰ উপৰি কিশোৰী আৰু মহিলাসকল এই ৰোগত বেছিকৈ আক্ৰান্ত হোৱাৰ কাৰণসমূহ হৈছে-

১) ঋতুকালত হোৱা অধিক ৰক্তস্ৰাৱ

২) প্ৰসৱৰ সময়ত হোৱা ৰক্তক্ষৰণ

৩) সঘনে গৰ্ভপাত হোৱা

৪) সঘনে সন্তান জন্ম দিয়া

এনিমিয়া ৰোগৰ লক্ষণসমূহ :

১) অতি সোনকালে ভাগৰ লগা।

২) ছাল শেঁতা পৰা

৩) উশাহ চুটি হোৱা

৪) মূৰ ঘূৰণি

৫) হাত-ভৰি ঠাণ্ডা পৰি যোৱা

৬) বুকুৰ ধপধপনি

৭) কাম কৰাৰ ক্ষমতা হ্ৰাস পোৱা

৮) শিশু বা কিশোৰ-কিশোৰীসকলৰ পঢ়াত অমনোযোগিতা

৯) ভৰিৰ জিনজিননি

১০) শৰীৰ দুৰ্বল ইত্যাদি।

এমিনিয়াৰ ফলত মহিলাৰ ক্ষেত্ৰত হোৱা জটিলতাসমূহঃ

১) গৰ্ভৱতী মহিলাৰ ক্ষেত্ৰত প্ৰসৱৰ সময়ৰ আগতে সন্তান জন্ম হ'ব পাৰে (Prematured baby)।

২) কম ওজনৰ শিশুৰ জন্ম (Low birth weight baby)।

৩) মৃত সন্তান জন্ম (Still birth)।

৪) মাতৃৰ মৃত্যুৰ আশংকা।

৫) গৰ্ভস্থ সন্তানৰ আইৰনৰ অভাৱত ভোগাৰ ফলত বৃদ্ধি আৰু বিকাশত বাধাৰ সৃষ্টি হয়।

৬) হৃদৰোগ ইত্যাদি।

এনিমিয়া ডায়েগ্ন'ছিছ :

তলত উল্লিখিত পৰীক্ষাসমূহৰপৰা এনিমিয়া নিশ্চিত কৰিব পাৰি-

১) complete blood count (CBC)।

২) হিম'গ্লবিন (Hb) নিৰ্ণয়।

৩) তেজৰ কোষবিলাকৰ আকাৰ আৰু আকৃতিৰ পৰীক্ষা ইত্যাদি।

প্ৰতিৰোধী ব্যৱস্থাসমূহ :

১) আইৰনযুক্ত খাদ্য সেৱন : প্ৰায় ৯০ শতাংশ এনিমিয়া আইৰনৰ অভাৱৰ (Iron deficiency Anaemia) ফলত হয়। গতিকে প্ৰচুৰ পৰিমাণে আইৰন থকা খাদ্য যেনে — কলডিল, কাচকল, পালেং শাক, শুকান ফল, খেজুৰ, খিচমিচ, ডালিম, মৰিচা শাক, গুড়, মাছ, কণী

(নপৃষ্ঠাত চাওক)

গ্ৰন্থৰ সুবাস আৰু গ্ৰন্থমেলা

ফখৰুদ্দিন আহমেদ

এইটো বাৰুকৈয়ে উপলব্ধিৰ বিষয় যে গ্ৰন্থইহে প্ৰকৃততে বিশ্বক শাসন কৰি আহিছে। গ্ৰন্থ বুলি কোৱাৰ লগে লগেই প্ৰাসংগিক ভাৱেই উপস্থাপিত হয় গ্ৰন্থৰ ক্ৰমে লেখক, পাঠক আৰু মূলত প্ৰচলিত গ্ৰন্থমেলা সমূহৰ বিষয়ে। সাহিত্যৰ বিভিন্ন বিভাগ সমূহ গ্ৰন্থত সংৰক্ষিত হয়।সাহিত্য হ'ল সংশ্লিষ্ট লেখক গৰাকীৰ জাতিৰ দাপোন।

ইউৰোপ নৱজাগৰণ, ভাৰতবৰ্ষৰ স্বাধীনতা সংগ্ৰাম, হিটলাৰৰ দ্বাৰা গণ হত্যাৰ সমুখীন হোৱা নিপীড়িত ইহুদী জাতিৰ উত্থানৰ ইতিহাস, নিজৰ গৃহ ভুমিত উদ্বাস্তু জীৱন কটাবলৈ বাধ্য হোৱা পেলেষ্টাইনী সকলৰ সংগ্ৰামী ইতিহাস, ইছলাম ধৰ্মৰ বিকৃতি কৰণেৰে আফগানিস্তানত ধৰ্মৰ নামত দেশ চলোৱা তালিবানৰ উত্থান-পতন কাহিনী ইত্যাদি সকলোবোৰ বিষয় বস্তুই চুই গৈছে স্থানীয় সাহিত্যৰ সাহিত্য চৰ্চাকাৰী সকলক।

ব্যতিক্ৰমী পৰিবেশত ব্যতিক্ৰমী বিষয় বস্তুৰ উপস্থাপনেৰে এচাম সাহিত্য চৰ্চাকাৰীয়ে বিশ্বত অনন্য নজিৰ ৰাখি থৈ গৈছে। উদাহৰণ স্বৰূপে ভাৰতবৰ্ষৰ স্বাধীনতা সংগ্ৰামত সফলতাৰ অনন্য ৰূপদাতা মহামানৱ মহাত্মা গান্ধীৰ 'মোৰ সত্য অন্বেষণৰ কাহিনী', স্বাধীন ভাৰতবৰ্ষৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী পণ্ডিত জৱাহৰলাল নেহৰুৰ 'দেউতাকৰ পৰা জীয়েকলৈ চিঠি'ৰ বিষয়ে উপস্থাপন কৰিব পাৰি। সৰু কলেবৰৰ এই দুয়োখন গ্ৰন্থই মই ব্যক্তিগত ভাৱে অধ্যয়ন কৰাৰ সৌভাগ্য হৈছে। মহা মানৱ মহাত্মা গান্ধীয়ে নিজৰ আত্মজীৱনী খনত নিজৰ জীৱনৰ প্ৰতিটো দিশ অতি অকপটে প্ৰকাশ কৰিছে। নিজৰ জীৱনৰ কেৱল প্ৰকাশ যোগ্য বিষয়বোৰকেই এই গ্ৰন্থ খনিত স্থান দিয়া নাই, তেখেতৰ জীৱনৰ প্ৰকাশ নকৰিবলগা বিষয় বস্তুও ৰুচি সন্মত ভাষাৰে প্ৰকাশ কৰিছে। পণ্ডিত জৱাহৰলাল নেহৰুৱে স্বাধীনতা সংগ্ৰামত নেতৃত্ব প্ৰদান কৰাৰ অপৰাধত ইংৰাজে জেললৈ প্ৰেৰণ কৰিছিল। জেলৰ বন্ধ কুঠৰীৰ পৰা তেখেতৰ অতি মৰমৰ জীয়াৰী ইন্দিৰা

(আঠপৃষ্ঠাত চাওক)

“বহু ক্ষেত্ৰত চহৰেই ভাল !”

স্মৃতিৰেখা সোণোৱাল,শান্তিপুৰ

হেৰাই যাবলৈ চহৰ বহুতেই ভাল।
গাঁৱত ঘাঁডোখৰত নিমখ দিয়া মানুহ বহুত আছে,
চহৰত বুকুৰ ঘাঁবোৰ গোপনে থাকে।
নিজৰ দুখ পাহৰি সামাজিক হ'ব নোৱাৰিলে
চহৰত থকাই ভাল।
চহৰত অকলে অকলে কান্দিব পাৰি,
অকলে অকলে হাঁহিব পাৰি,
যাওঁ বুলিলেই বহু দূৰ যাব পাৰি... !
বহু ক্ষেত্ৰত চহৰেই ভাল।
গাঁৱৰ বিধবাজনী
চহৰত শান্তিৰে থাকিব পাৰে,
গাঁৱৰ নি: সন্তান নাৰীগৰাকী
চহৰত শান্তিৰে থাকিব পাৰে,
কলংকৰ চেকা লগা এটা জীৱনে
নতুনকৈ জী উঠিব পাৰে,
চহৰত ঠন ধৰি উঠিব পাৰে
যিটো গাঁৱৰ মানুহে সহজে নিদিয়ে।
গাঁৱত অতীত থাকে
চহৰত মাথোঁ বৰ্তমান।
চহৰে সকলোকে আঁকোৱালি লয়।
বহুতৰ বহু কোলাহল নীৰৱ হৈ থাকে।

জনতাৰ চৰকাৰ
my GOV मेरी सरकार
ই-টিকেটিং ব্যৱস্থা
উমানন্দ ফেৰী সেৱাৰ বাবে
সহজ আৰু সুবিধাজনক টিকট বুকিং
ছপাবিহীন টিকটেৰে পৰিবেশ অনুকূল বুকিং ব্যৱস্থা
ঘাটৰ কাউণ্টাৰত যাত্ৰীৰ সমাগম হ্ৰাস
ৰাজহ লোকচান নিয়ন্ত্ৰণ
ই-টিকট কেনেদৰে লাভ কৰিব?
asiwt.in ত ম'বাইল নম্বৰৰ জৰিয়তে পঞ্জীয়ন কৰক
ব্যক্তিগত বিৱৰণ প্ৰদান কৰক
যাত্ৰাৰ তাৰিখ, উৎস আৰু গন্তব্যস্থান বাছনি কৰক
ফেৰী বাছনি কৰি যাত্ৰীৰ বিৱৰণ যোগ দিয়ক আৰু মূল্য পৰিশোধ কৰক
ই-টিকট ডাউনলোড কৰক
হেল্পলাইন নম্বৰ
1800-889-4717
JANASANYOG- 2978/21
পঞ্জীয়ন কৰক
assam.mygov.in
/mygovassam
তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত
Follow us /@diprassam
https://dipr.assam.gov.in/

ক'ৰনা মহামাৰীৰ সময়ত

জৰুৰীকালীন সেৱাৰ লগত জড়িত বিষয়া কৰ্মচাৰীসকলে নিজৰ জীৱনক তুচ্চ কৰি এই সময়ছোৱাত নিজৰ কৰ্তব্য অতি নিষ্ঠা আৰু সততাৰে পালন কৰা দেখা গৈছে। এই সংকত কালৰ সময়ছোৱাত যাতে ভোকৰ ভাত মুঠিৰ পৰা কোনেও বঞ্চিত হ'ব নালাগে সেইকথালৈ লক্ষ্য ৰাখি বহু মহানুভাৱ ব্যক্তি স্ব-ইচ্ছাই আগবাঢ়ি আহিছে। ব্যৱসায়ী সাংবাদিক, কৃষক, বিভিন্ন চাকৰিয়াল, বেচৰকাৰী সংস্থাৰ কৰ্মকৰ্তা, আনকি পেঞ্চনাৰ সকলো আগবাঢ়ি অহা দেখা গৈছে। অৰ্থনৈতিক ভাবে দুৰ্বল পৰিয়ালৰ লোকসকলক এই সকল ব্যক্তিয়ে অত্যাৱশ্যকীয় বা খাদ্য সামগ্ৰী, ঔষধ পথ্য আদি আগবঢ়োৱা দেখা গৈছে। ইয়াৰ মাজতে আমাৰ ৰাজ্যখন চৰকাৰে আহ্বান জনাইছিল যে এপ্ৰিল মাহত চৰকাৰী কৰ্মচাৰী সকলে দৰমহা লাভ কৰাৰ পিছত সেই দৰমহাৰ কিয়দাংশ ধনেৰে পাঁচটা অথবা তিনিটা অৰ্থনৈতিক ভাৱে দুৰ্বল পৰিয়ালক সহায় কৰিব লাগে । এই আহ্বান কৰাৰ লগে লগে সমগ্ৰ ৰাজ্যখনত ৰাইজৰ অভূতপূৰ্ব সহাঁৰি আৰু সহযোগিতা দেখা পোৱা গ'ল। চৰকাৰে ভৰাতকৈও ৰাইজৰ পৰা বহু বেছি সহাঁৰি লাভ কৰিলে। অৱশ্যে চৰকাৰী ভাৱে আহ্বান জনোৱাৰ আগতেই বহু মহানুভৱ ব্যক্তিয়ে নিজা প্ৰচেষ্টা আৰু আন্তৰিকতাৰে এই কাৰ্যসূচী হাতত লৈছিল। আমাৰ সমাজত সততে এটা অভিযোগ উত্থাপন হয় যে বস্তু সৰ্ব্বস্ব এই সমাজ ব্যৱস্থাত মানুহ বহু আত্মকেন্দ্ৰিক হৈ পৰিছে। ইজনে আনজনৰ দুখ বুজি নাপায়। অভিযোগ সমূহ মিছাও নহয়। হয়তো সমাজৰ যান্ত্ৰিক গতিয়ে মানুহবিলাককো একোটা যন্ত্ৰলৈয়ে পৰিবৰ্তিত কৰিছে। অৱশ্যে আমি এই সংকট কালত ইয়াৰ এক বিপৰীত প্ৰতিচ্ছবি দেখা পালোঁ। এজনে আনজনৰ দুখত দুখী হোৱা দেখা গৈছে । ভোকৰ ভাতমুঠি বহুতেই আনৰ মুখটো তুলি দিছে। আশাকৰ্মী, পৰ্যবেক্ষককে ধৰি স্বাস্থ্য বিভাগৰ তৃণমূল পৰ্যায়ৰ কৰ্মী সকলে নিজৰ জীৱনক তুচ্চ কৰি গাঁৱে গাঁৱে ৰাজ্যবাসীৰ স্বাস্থ্যৰ বতৰা লৈ, স্বাস্থ্যৰ সজাগতা দি দিন ৰাতি একাকাৰ কৰিছে। এয়া নিঃসন্দেহে মানুহৰ মহানুভৱতা আৰু সমাজৰ প্ৰতি প্ৰতিটো শ্ৰেণীৰে থকা সামজিক দায়বদ্ধতা অন্যতম নিদৰ্শন। ক'ৰনা মহামাৰীৰ এই সংকট কালৰ সময়ছোৱাই আমাৰ ৰাইজক সামাজিক দায়বদ্ধতাৰ উপযুক্ত শিক্ষা দিলে । এই সময়ছোৱাতে দেখা পোৱা গ'ল যে লকডাউন শিথিল হোৱাৰ সময়ত বহুতে জিলা প্ৰশাসনৰ অনুমতি লৈ বিবাহকাৰ্যও সমাপন কৰিছে । চৰকাৰী নীতি নিয়ম সম্পূৰ্ণভাৱে পালন কৰি যথেষ্ট অনুষ্টুপীয়াকৈ পালন কৰিছে। বহু মহানুভৱ ব্যক্তিয়ে নিজৰ বিয়াখনত ৰাহি হোৱা ধন ক'ৰনা চিকিৎসাৰ নিমিত্তে চৰকাৰী সাহাৰ্য্য পুজিলৈ আগবঢ়াইছে। লগতে তেওঁলোকে এইটোও দৃষ্টান্ত সমাজক দেখুৱালে যে বাহ্যিক ৰং চং বাদ দি সামাজিক পৰম্পৰাৰে বিবাহ অনুষ্ঠিত কৰি বাকী ধন সমাজৰ ভাল কামৰ বাবেও খৰচ কৰিব পাৰি । এই দৃষ্টান্ত আমাৰ ভৱিষ্যত সমাজৰ পাথেয় হওঁক । বিশ্বত অহা, ৰাজ্যলৈ অহা সংকটপূৰ্ণ সময়ৰ কেতিয়া অৱসান হ'ব সেই কথা কোনেও ক'ব নোৱাৰে। কিন্তু আমি সকলোৱে আশাবাদী। অদৃশ্যজনৰ ওচৰত একান্তভাৱে প্ৰাৰ্থনা জনাইছোঁ যে ক'ৰনা ভাইৰাছৰ বিৰুদ্ধে যুঁজ কৰিবলৈ চিকিৎসা বিজ্ঞানী তথা বিশেষজ্ঞ সকলে ইতিমধ্যে ভেকচিন আৱিষ্কাৰৰ ক্ষেত্ৰত সফল হৈছে। আমি এই কোভিদৰ মহাযুদ্ধ খনৰ সতে যুজঁ দি সকলোৱে নিজৰ নিজৰ পৰ্য্যায়ত বহুখিনি অভ্যাস হ'লোঁ। ইতিমধ্যে ভেকচিনৰ উদ্ভাৱনে মানুহক বহুখিনি উৎসাহ আৰু সকাহ দিলে। গতিকে আমি সকলোৱে জীৱনত আগুৱাই যাবলৈ এক নতুন অভিজ্ঞতা আৰু শিক্ষা লাভ কৰিলোঁ। বিশেষকৈ কোভিদৰ সময়ত পাৰ হৈ যোৱা অভিজ্ঞতাসমূহে আমসক ব্যক্তিগত স্বাস্থ্য সচেতনতাৰ শিক্ষা দিলে, সামাজিক দায়বদ্ধতাৰ শিক্ষা দিলে। গতিকে অনাগত দিনত আমি সেইখিনি হাতত সমল হিচাপে লৈ আগবাঢ়িব লাগিব। সকলো বাইৰৰ বাবে কোভিদৰ পৰা সুৰক্ষিত হৈ থকাৰ মূল অস্ত্ৰ পাতেই হৈছে সামাজিক সচেতনতা। এতিয়াও বহু লোক আছে আমাৰ ৰাজ্যখনত যিসকলে নিজেও ভেকচিন লবলৈ আগ্ৰহি নহয় আৰু আনকো নিৰুৎসাহ কৰে। সকলোৱে ভেকচিন গ্ৰহণ কৰিবলৈ নিজে আগবাঢ়ি ওলাই আহক। যিমান পাৰি জনসমাগম পৰিহাৰ কৰক। মাস্ক পৰিধান কৰক। যিমানে নিজক বচাই চলিব পাৰিব সিমানেই নিজৰ পৰিয়ালটো, সমাজখন আৰু দেশখন সুৰক্ষিত হ'ব। সেইবাবে এই কথাকেইটা আমি গুৰুত্বসহকাৰে গ্ৰহণ কৰি চৰকাৰে লৈ থকা স্বাস্থ্য ৰক্ষা আৰু মহামাৰী নিয়ন্ত্ৰণৰ হকে লৈ থকা কাৰ্য্যব্যৱস্থাৰ প্ৰতি সহযোগিতা আগবঢ়াব লাগে। তেতিয়াহে হয়তো আমি এখন সুৰক্ষিত সমাজ আশা কৰিব পাৰিম।

গ্ৰন্থৰ সুবাস আৰু গ্ৰন্থমেলা

প্ৰিয়দৰ্শিনীলৈ বহুত চিঠি লিখিছিল। যিবোৰ চিঠিক একত্ৰিকৰণ কৰি পিছলৈ 'দেউতাকৰ পৰা জীয়েকলৈ চিঠি ' নামৰ গ্ৰন্থ খন সংকলিত ৰূপত প্ৰকাশ কৰা হৈছিল। ইমান জনপ্ৰিয় হোৱা গ্ৰন্থখনিত পিছে জেলৰ বন্ধ কুঠৰীত আবদ্ধ হৈ থকা দেউতাক এগৰাকীয়ে বন্দী জীৱনৰ বিষয়ে লিখা নাছিল। উক্ত গ্ৰন্থখনিত সাগৰৰ তলিৰ প্ৰবালৰ দ্বীপৰ পৰা ভাৰতবৰ্ষৰ স্থাপত্য ভাষ্কৰ্য্যৰ লগতে বিশ্বৰ বিভিন্ন সমকালিন দিশৰ উপৰিও ইজিপ্তৰ ফাৰাউৰ যুগৰ পিৰামিড বিষয়েও বৰ্ননা কৰা হৈছিল। সেয়ে জেলৰ বন্ধ কুঠৰীৰ পৰা জীয়েকলৈ লিখা চিঠিবোৰ সাৰ্বজনীন ভাবে প্ৰতিটো যুগৰ পাঠকৰ জ্ঞানৰ চাহিদা পুৰণ কৰিবলৈ সমৰ্থবান হৈ আছে।

এখন গ্ৰন্থই জনপ্ৰিয়তা অৰ্জন কৰিবলৈ হ'লে যুগ সাপেক্ষ দৃষ্টিভংগীৰ বিষয় বস্তুৰ সমাহাৰ হ'ব লাগিব। বিশ্বত জনপ্ৰিয়তা অৰ্জন কৰা গ্ৰন্থবোৰৰ ভিতৰত প্ৰধান বৈশিষ্ট্যটোৱেই হৈছে যুগ সাপেক্ষে মানুহৰ মনৰ খোৰাক যোগান ধৰিবলৈ সনৰ্থবাণ হোৱা।

সাম্প্ৰতিক সময়ত গ্ৰন্থৰ সুবাস গ্ৰহণ কৰিবলৈ এটি সুন্দৰ পৰিবেশ অসমত সৃষ্টি হোৱা পৰিলক্ষিত হৈছে। ইয়াৰ প্ৰমাণ হিচাপে অসমত বিভিন্ন সংস্থাৰ দ্বাৰা সন্মিলিত ভাবে বিভিন্ন স্থানত অনুষ্ঠিত হৈ অহা গ্ৰন্থমেলাবোৰকেই দাঙি ধৰিব পাৰি। গ্ৰন্থমেলাৰ জৰিয়তে অসমৰ সাধাৰন জনতাক গ্ৰন্থৰ পাঠক সমাজলৈ বিবৰ্তন ঘটোৱাৰ ক্ষেত্ৰত প্ৰতি বছৰে পূৰ্বে জৰ্জ খেলপথাৰত আৰু বৰ্তমান গুৱাহাটীৰ চান্দমাৰীস্থ অসম অভিযান্ত্ৰীক প্ৰতিষ্ঠানৰ খেলপথাৰত অসম চৰকাৰৰ অসম ৰাজ্যিক পাঠ্যপুথি প্ৰণয়ন আৰু প্ৰকাশন নিগম লিমিটেডৰ উদ্যোগত অনুষ্ঠিত উত্তৰ পুৰ্ব গ্ৰন্থমেলা খনিৰ অবদান যুগে যুগে স্বীকাৰ্য হৈ থাকিব।

গ্ৰন্থমেলাক গ্ৰন্থ অধ্যয়ন আন্দোলনৰ মূল চালিকা শক্তি বুলি ধৰি লোৱা কাৰণেই অসমৰ সকলো গ্ৰন্থমেলাতেই নতুন গ্ৰন্থ প্ৰকাশৰ উথপ্ থপ্ পৰিবেশৰ সৃষ্টি হোৱাৰ লগতে কবি সন্মিলন, সুসাহিত্যিকৰ লগত আলাপ অনুষ্ঠান, বিশিষ্ট সাহিত্যিক সকলক সম্বৰ্ধনা জনোৱা অনুষ্ঠানবোৰো সমানে সমানে ৰূপায়িত কৰা হয়। এইবোৰ অনুষ্ঠানে সমাজৰ গ্ৰন্থৰ প্ৰতি থকা দায়বদ্ধতাৰ বাৰুকৈয়ে সুচাইছে।

অৱশ্যে এই গ্ৰন্থমেলাবোৰত সৃষ্টি হোৱা গ্ৰন্থবোৰৰ উপযুক্ততাক লৈয়ো পাঠক সমাজৰ মাজত প্ৰশ্নৰ উপস্থাপন নোহোৱা নহয়। সুসাহিত্যিক সকলৰ মাজত সাহিত্যিক হৈ নিজকে প্ৰচাৰ কৰিব বিচৰা অসাহিত্যিক বৈশিষ্ট্যৰ লোকৰো অভাব নোহোৱা নহয়। সুসাহিত্যিক হ'বলৈ যিদৰে উচ্চ শিক্ষাগত অৰ্হতাৰ প্ৰয়োজন নাই ঠিক তেনেদৰে উচ্চ অৰ্হতা সম্পন্ন অসাহিত্যিকে বল পূৰ্বক ভাবে প্ৰসব কৰোৱা গ্ৰন্থই অসমৰ পাঠক সমাজক বাৰুকৈয়ে আমনি নকৰাও নহয়।

নাইট চুপাৰৰ ড্ৰাইভাৰ হৈয়ো এগৰাকী সুসাহিত্যিক হিচাপে নিজকে প্ৰতিষ্ঠা কৰিবলৈ সমৰ্থ হোৱা শ্ৰদ্ধাৰ ৰূপম দত্তৰ 'লাইফ অব্ এ ড্ৰাইভাৰ কেবিনৰ ইপাৰে ' নামৰ উপন্যাস খনে আঠ মাহত দশম প্ৰকাশ হোৱাৰ বিপৰীতে দহটা মাহত দহটা কপি বিক্ৰী নোহোৱা গ্ৰন্থও নিশ্চয় ওলাব।

গ্ৰন্থৰ ক্ষেত্ৰত ইতিবাচক তথা নেতিবাচক যি দিশৰেই অবতাৰনা নকৰক কিয় কিছুমান গ্ৰন্থৰ লেখকে ৰাজৰোষত পৰি দেশান্তৰ নাইবা ডিঙিত ফাঁচী কাঠটো ওলমিবলগা হৈছে। ইয়াৰ পৰাই অনুমান কৰিব পাৰি গ্ৰন্থৰ ক্ষমতা কিমান?

গ্ৰন্থমেলালৈ যাওঁ ব'লা

স্বাগতা বৰুৱা গোস্বামী

জেঠিটোৱে কয় শুনা টিক্ টিক্ টিক্, সময় গৈছে উৰি ঠিক্ ঠিক্ ঠিক্... সৰুতে পঢ়া তোমালোকৰ মনত আছে নহয়নে? সচাকৈয়ে সময় কেনেকৈ আহি কেনেকৈ লৰমাৰি গুছি যায় আমি গ'মেই নাপাওঁ নহয়নে। সৌদিনা বছৰটো আৰম্ভ হৈছিল হে কিন্তু আজি ৮টা দিন পাৰ হ'লেই, বাৰু সময়ে সময়ৰ কাম কৰি থাকিব আমিও আমাৰ কাম কৰি তাৰ লগত মিলাই কৰি যাব লাগিব। এটা কথা আমি মনত ৰখা উচিত যে সময়ে সময়ৰ কাম ঠিকেই কৰি গৈ থাকে। সময়ৰ লগে লগে প্ৰকৃতিয়েও নিজৰ কাম ঠিকেই কৰি গৈ থাকে। ঋতু পৰিৱৰ্তনৰ লগে লগে আমাৰ পৃথিৱী খনকো ন ন সাজেৰে সজাই তোলে প্ৰকৃতিয়ে। কেনেকৈ সংগোপনে শীত আমাৰ মাজলৈ আহিলে দেখিলা। সৌসিদিনা লৈকে আমাৰ জুই দেখিলেই গাটো পোৰণি উঠিছিল, কিন্তু এতিয়া অকণমান জুইৰ ওচৰত বহিলেহে গাটো ভাল লাগে। কিন্তু এতিয়া এই শীতৰ লগতে শীতৰ আমেজ লৈ ৰ'দতে বহি কিতাপ পঢ়াৰ আনন্দ দিবলৈ আহিছে গ্ৰন্থ মেলা। এই সময় খিনিক আচলতে গ্ৰন্থৰ সময় বুলিও কোৱা হয়। তোমালোকৰো চাগৈ জানিবলৈ মন যায় এই গ্ৰন্থ মেলাৰ ইতিহাসৰ বিষয়ে। জাৰ্মান দেশৰ লিপজিগ নগৰত ১৯২৭ চনত প্ৰথম গ্ৰন্থমেলা আৰম্ভ হৈছিল। লাহে লাহে ই ইউৰোপ আৰু পিছলৈ আন আন দেশতো গ্ৰন্থমেলা হ'বলৈ ধৰে। অন্য দেশৰ তুলনাত আমাৰ দেশত গ্ৰন্থমেলা নতুন। ভাৰতৰ কলিকতাত প্ৰথম গ্ৰন্থমেলা হৈছিল। পিছলৈ মুম্বাই, দিল্লী আদিতো গ্ৰন্থমেলা অনুষ্ঠিত হোৱা হ'ল। অসমত প্ৰথম গ্ৰন্থমেলা আৰম্ভ হয় ১৯৭৮ চনত নগাঁওৰ নেহেৰু বালিত হয় যদিও পিছলৈ ১৯৮৪ চনত গুৱাহাটীত অসম প্ৰকাশন পৰিষদে প্ৰথম আনুষ্ঠানিক ভাবে গ্ৰন্থমেলাৰ আয়োজন কৰিছিল। যোৰহাটত অসম শৈক্ষিক কেন্দ্ৰই প্ৰতি দুবছৰৰ মূৰে মূৰে গ্ৰন্থমেলা পাতে। এতিয়াও বিভিন্ন ঠাইত গ্ৰন্থমেলা চলি আছে। গুৱাহাটীত চানমাৰীৰ বাকৰিত এতিয়া গ্ৰন্থপ্ৰেমীৰ দলদোপ-হেন্দোলদোপ। তোমালোকেও কিতাপ পঢ়াৰ অভ্যাস কৰিবা। গ্ৰন্থমেলা যদি তোমালোকৰ থকা ঠাইত হয় এবাৰ হ'লেও তালে যাবা, গৈ শিশুৰ ওপৰত লিখা কিতাপ বোৰ কিনিবা। কাৰণ পৃথিৱীৰ সকলোতকৈ ভাল বন্ধু কিতাপ। গতিকে কিতাপ পঢ়া আৰু আনন্দ লোৱা।

মহিলাসকলৰ এনিমিয়া প্ৰতিৰোধৰ উপায়

ইত্যাদি খোৱা উচিত। আইৰন মহিলাৰ বাবে অত্যন্তপ্ৰয়োজনীয়।

২) ভিটামিন-চি যুক্ত খাদ্য গ্ৰহণ কৰাঃ ভিটামিন-চি বা এচকৰবিক এচিডে আমাৰ শৰীৰত সঠিকভাৱে আইৰনৰ শোষণ হোৱাত সহায় কৰে। চাইট্ৰাচ বা টেঙাজাতীয় ফল, কমলা, আঙুৰ, মধুৰিআম, অমিতা, আনাৰস, আম, বিলাহী, আমলখি, নেমু, ব্ৰক'লি, তৰমুজ, ফুলকবি ইত্যাদি ভিটামিন চিৰ ভাল উৎস।

৩) ভিটামিন বি-১২যুক্ত খাদ্য সেৱন : ভিটামিন বি-ৰচ আৰু ফলেটযুক্ত খাদ্যৰ অভাৱৰ ফলত মেগাল'ব্লাষ্টিক এনিমিয়াৰ সৃষ্টি হয়। সেয়েহে পৰ্যাপ্ত পৰিমাণে ভিটামিন বি-ৰচযুক্ত খাদ্য যেনে- মাংস, গাখীৰ, দুগ্ধজাত খাদ্য, ছ'য়াবীন ইত্যাদি গ্ৰহণ কৰা উচিত। ইয়াৰ উপৰি ফলেটযুক্ত খাদ্য যেনে- সেউজীয়া শাক-পাচলি, সেউজীয়া মটৰ, দাইল, বাদাম ইত্যাদি খাদ্য তালিকাত অন্তৰ্ভুক্ত কৰিব লাগে।

৪) গৰ্ভৱতী মাতৃসকলে অতিৰিক্ত আইৰন ফলিক এচিড সেৱন কৰা : গৰ্ভৱতী মহিলাসকলে দিনে ৩০ মিঃগ্ৰাম অতিৰিক্ত এলিমেণ্টেল আইৰন আৰু ৪০০ মাইক্ৰ' গ্ৰাঃ অতিৰিক্ত ফলিক এচিড আনহাতে দুগ্ধপান কৰোৱা মাতৃসকলে দিনে ১৫-২০ মিঃ গ্ৰাম অতিৰিক্ত এলিমেণ্টেল আইৰন আৰু ৪০০ মাইক্ৰ'গ্ৰাম অতিৰিক্ত ফলিক এচিড খোৱা উচিত।

৫) স্কুলীয়া শিশু আৰু কিশোৰ-কিশোৰীসকলক সপ্তাহত এটাকৈ আইৰন-ফলিক এচিড পৰিপূৰক (Supplement) দিয়া উচিত।

৬) বছৰি দুবাৰকৈ Albendazole 400mg tab খাবলৈ দিয়া : আমাৰ শৰীৰৰ অন্ত্ৰত (Intestiue) হোৱা কৃমিৰ বাবেও এনিমিয়াৰ সৃষ্টি হ'ব পাৰে। অন্ত্ৰৰ কৃমিসমূহে আমি খোৱা খাদ্যৰ পোষকতত্ত্বসমূহ শুহি খোৱাৰ ফলত এনিমিয়াই দেখা দিয়ে। সেয়েহে হাকোটা পেলুৰ সংক্ৰমণ প্ৰতিৰোধ কৰিবলৈ পেলুৰ দৰব খোৱা উচিত।

৭) ইয়াৰ উপৰি ছোৱালীৰ উপযুক্ত বয়সৰ আগতে বিয়া বা সন্তান জন্মত বাধা প্ৰদান কৰা। উপযুক্ত পৰিয়াল পৰিকল্পনাৰে ঘনাই গৰ্ভধাৰণ বাধা দিয়া আৰু মহিলাৰ অত্যধিক ঋতুস্ৰাৱৰ চিকিৎসা কৰা উচিত।

৮) চাহত থকা 'টেনিন' নামৰ উপাদানবিধে আমাৰ শৰীৰত আইৰনৰ অৱশোষণত বাধা দিয়ে। সেয়েহে আহাৰৰ লগতে চাহ খাব নালাগে। আহাৰ খোৱা আৰু চাহ খোৱাৰ মাজত কমেও এঘণ্টাৰ ব্যৱধান থকা উচিত।

আয়ুৰ্বেদত এনিমিয়াৰ চিকিৎসা : আয়ুৰ্বেদত এনিমিয়া বা ৰক্তহীনতাক 'পাণ্ডু'ৰ লগত তুলনা কৰা হয়। পিত্ত দোষৰ আধিক্যৰ ফলত এইবিধ ৰোগ হোৱা বুলি কৈছে। আয়ুৰ্বেদত ৰোগৰ কাৰণ অনুযায়ী এনিমিয়াৰ চিকিৎসা কৰা হয়।

আয়ুৰ্বেদত ব্যৱহৃত কেইবিধমান দ্ৰব্য তলত উল্লেখ কৰা হৈছে-

১) আমলখিঃ আমলখিত লৌহ তত্ত্ব তথা ভিটামিন-চি প্ৰচুৰ পৰিমাণে পোৱা যায়। ভিটামিন-চিয়ে আমাৰ শৰীৰত আইৰন শোষণ কৰাত সহায় কৰে। নিতৌ আমলখি বা আমলখিৰ ৰস মৌৰ লগত মিহলাই খালে শৰীৰত আইৰনৰ পৰিমাণ বৃদ্ধি পায়।

২) ঘৃতকুমাৰীঃ নিতৌ ঘৃতকুমাৰীৰ ৰস খাওক। ই আইৰন আৰু ভিটামিন বি-১২ৰ অভাৱ দূৰ কৰিব। পিঁয়াজৰ ৰস আৰু এলোভেৰাৰ ৰস ১ঃ৩ অনুপাতত লৈ নিতৌ ১-২ চামুচ খালে অতি সোনকালে এনিমিয়াৰ পৰা হাত সাৰিব।

৩) মেথি : ২-৩ চামুচ মেথিগুটি গোটেই ৰাতি তিয়াই ৰাখিব। পিছদিনা পুৱা চাউলৰ লগত মিহলাই ৰান্ধি খাব।

৪) পিঁয়াজ : পিঁয়াজত যথেষ্ট পৰিমাণে আইৰন, ছালফাৰ আৰু কপাৰ থাকে। পিঁয়াজ কেঁচাকৈ বা ৰান্ধিও খাব পাৰে। আধাকাপ পিঁয়াজৰ ৰসৰ লগত এচামুচ মৌ মিলাই খালেও এনিমিয়া দূৰ হয়।

আয়ুৰ্বেদিক চিকিৎসাত ব্যৱহৃত কেইবিধমান ঔষধি হৈছে-

১) লৌহ ভষ্ম
২) লোহাসৱ
৩) ধাত্ৰী লৌহ
৪) নৱয়াস লৌহ
৫) সোথাৰি লৌহ
৬) পুনৰ্নবাদি মণ্ডুৰ
৭) মণ্ডুৰ ভষ্ম
৮) স্বৰ্ণমাক্ষিক ভষ্ম
৯) কুমাৰী আসৱ
১০) সপ্তামৃত লৌহ ইত্যাদি।

এনিমিয়াৰ বাবে উপকাৰী কেইবিধমান যোগাসন হ'ল- সৰ্বাংগাসন, পশ্চিমোত্তাসন, শৱাসন, সূৰ্য্যভেদন, ত্ৰিকোণাসন ইত্যাদি। আসনসমূহ অভিজ্ঞযোগ প্ৰশিক্ষকৰ পৰামৰ্শ গ্ৰহণ কৰি কৰা উচিত।

নিয়ম আৰু পথ্য : খাদ্য ৰান্ধিবৰ বাবে লোহাৰ বাচন ব্যৱহাৰ কৰা উচিত। খাদ্যবস্তু আৰু খোৱাপানী সদায় ঢাকি ৰাখিব লাগে। খাদ্য খোৱাৰ আগতে হাত-মুখ পৰিষ্কাৰকৈ চাবোনেৰে ধুই ল'ব লাগে। নিয়মিতভাৱে নখ-চুলি কাটিব লাগে। খালী ভৰিৰে লেতেৰা ঠাই বা শৌচাগাৰলৈ যাব নালাগে। শৌচাগাৰৰ পৰা আহি হাত চাবোনেৰে ভালকৈ ধুব লাগে। নিতৌ কিছুসময় সূৰ্যৰ উত্তাপ গাত লগোৱা উচিত ইয়ে তেজৰ লোহিত ৰক্তকণিকাৰ উৎপত্তিত সহায় কৰে। তিল, খেজুৰ, দুগ্ধজাত খাদ্য, পালেং, গাজৰ, মূলা, বিলাহী, বীট, ডালিম, কল, খিচমিচ, আমলখি ইত্যাদি এনিমিয়া ৰোগৰ বাবে সুপথ্য।

গতিকে উপৰিউক্ত নিয়ম আৰু পথ্য পালন কৰাৰ লগতে প্ৰতিৰোধী ব্যৱস্থাসমূহৰ নিয়মিত অভ্যাসে মহিলা আৰু কিশোৰীসকলক এনিমিয়ামুক্ত কৰি শাৰীৰিকভাৱে সুস্থ আৰু সবল কৰি তুলিব। ইয়াৰ ফলত আদৰ্শ গৃহিণী বা নাৰীৰ সৃষ্টি হোৱাৰ লগতে তেওঁলোকৰ দ্বাৰা সুসন্তানৰ জন্ম হ'ব।

মৃতদেহ

মৃগাংক বৰুৱা, বনগাওঁ(কছাৰিহাট),গোলাঘাট

মানুহবিলাক বৰ অদ্ভুত দেই, মানুহৰ মন বুজিবলৈ টান, মানুহ চিনিবলৈ টান। কয় এটা আৰু কৰে এটা। সেয়ে চাগে মানুহ চিনা বৰ টান। মোক আগলি কলপাতত শুৱাই ৰখা হৈছে আগ চোতালত। মানুহ গোটখাইছে বহুত। সকলোৰে মুখত মোৰ গুনগান। আচৰিত, আজি মোৰ কাষত গোটখোৱা কেইবাজনেও আকৌ মই জীয়াই থাকোতে কৰা ভাল কামৰ স্বীকৃতি নিদিলে, অথচ বদনামহে ৰচিছিল। মোৰ দোষ কি আছিল- মুখৰ আগত সঁচা কথা কোৱা, সমাজৰ ভাল কাম কৰা। অথচ আজি তাৰ মাজৰে দুজন মানে আকৌ চকুপানীও টুকিছে। বৰকষ্টদায়ক.......। ভাল নলগা হৈছে। তেওঁলোকৰ লগত আজি অকণমান কথা পাতিব পৰাহলে কলোহেঁতেন, মোক জীয়াই থাকোতে যদি এনেদৰে উৎসাহিত কৰিলা হেতেন......

মই একবিংশ শতিকাৰ প্ৰবক্তা

মই থমকি ৰৈছোঁ মোৰ ভাগ্যলিপিৰ সোঁতত
ক্লান্ত কল্লোল, নিৰৱধি ছাঁৰ দৰে সিক্ত সোঁৱৰণ
দেউলীয়া উশাহত উৎকীৰ্ণ গোন্ধ বিয়পিছে
চৌপাশৰ বৰণ সলাই উভতি অহা বতাহজাকৰ সৈতে
মোৰ প্ৰথম সাক্ষাৎকাৰ
জীৱনৰ সংজ্ঞা নে কথোপকথনৰ কিছু শব্দকে
আওৰাই অনৰ্গল গাইছোঁ
আশা, নিৰাশৰ কিছু সুৰধ্বনি
জীৱনৰ সকলো পথকেই সুন্দৰ কৰি ৰাখিবলৈ মানুহ
অসমৰ্থ, এয়া আপ্তবাক্য নহ'বও পাৰে
ভাগ্যৰ লিখন খণ্ডন কৰিবলৈ মই পাহাৰ বগাইছোঁ
তেজৰ ঢেঁকুৰাত ধোঁৱাই দিছো একাঁজলি অনুভৱ
ভাগ্যৰ ৰেখাত অৱগহন কৰা সকলকো সুধিছো
নিয়তিৰ পৰিহাস কিমান কঠোৰ
মোৰ কিবা অমোঘ শক্তি আছে নে নাই নাজানো
বুকুৰ থাপনাত আলফুলে সাঁচি ৰাখিছোঁ
এধানি উদ্যম, পোৰা মাটিৰ গোন্ধ
লুণ্ঠিত সময়ৰ বহু গভীৰতা
কাৰ উশাহৰ সমীৰণত ডুবি থাকিবলৈ থমকি ৰৈছোঁ
শংকাবিহীন দিনৰ সুখৰ সংজ্ঞাৰ দিবাস্বপ্নত
মই নিজেই আলহী হৈ পৰিছোঁ
বৰ সুৰসুৰীয়া আলিবাটত গহীন বনৰ চিঞৰ শুনিছোঁ
ভোকাতুৰ শিশুৰ হাঁহিক পান কৰি নীলকণ্ঠ হোৱা দিনবোৰে
মোৰ সন্মুখতে উতলে, অথচ মই নিৰ্বিকাৰ, নিৰাকাৰ
যেন একবিংশ শতিকাৰ মই এজন প্ৰবক্তা
কাৰণ প্ৰতিদিনে কুঁৱলীয়ে আৱৰি ৰখা আবুৰত সংগোপনে
জীয়াই ৰাখোঁ কাৰোবাৰ স্বপ্ন-দুঃস্বপ্নৰ এখন খিৰিকী।

পুলিন ডেকা

স্বাৰ্থ !

অঞ্জু মণি শইকীয়া যোৰহাট

সম্পৰ্কীয় বা চিনাকি কিছুমান মানুহ টাওনলৈ কিবা কামত আহিলে আমাৰ ঘৰলৈ আহে । বিশেষকৈ, ৰাতি থাকিব লগা হ'লে । আমিও শক্তি অনুযায়ী সহায় কৰোঁ, শুশ্ৰূষা কৰোঁ। এবাৰ মোৰ স্বামীয়ে এজন চিনাকি ল'ৰাৰ অভিভাৱক হৈ চহী কৰিব লগা হৈছিল । সেই ল'ৰাজনৰ পৰিয়ালৰ কেইবাজনো সদস্যক ৰাতি আঠ বজাত ডিউটিৰ মাজতে গৈ টাওনৰ পৰা আগবঢ়াই নি নিজৰ অফিচত (টুৰিষ্ট লজ) থাকিবলৈ সুবিধা কৰি দিছিল। সেই সময়ত মই গাঁৱৰ ঘৰত আছিলো। ল'ৰাই মুৱে টাওনলৈ অহাৰ পিছত স্বামী অন্য ঠাইলৈ বদলি হৈ গৈছিল যদিও মাজে মাজে ৰাতি থকা আলহী আহিছিল। ভাড়াঘৰত থাকোঁ বাবেই বহুত সতৰ্ক হৈ থাকোঁ । কিছুমান মালিকে আলহী আহিলে বেয়া পায়, কিছুমান মালিকৰ আলহী নাহিলে কৌতূহল হয়। সকলো কথা প্ৰকাশ কৰিব নোৱাৰি। যি এই সমস্যাত পৰিছে, তেওঁহে অনুভৱ কৰিব পাৰিব। ক'ৰণা মহামাৰীয়ে আলহী অহা-যোৱা কৰাত বাৰুকৈয়ে প্ৰভাৱ পেলালে। কথাটো এনেকুৱা, কাৰোবাৰ ঘৰলৈ আলহী আহিলেও ওচৰ চুবুৰীয়াই চকু দিয়ে । কেইমাহমানৰ আগতে স্বামীৰ সম্পৰ্কীয় এঘৰে ফোন কৰিলে, " টাওনলৈ আহিছো, সোমাব পাৰোঁ !" মই "এতিয়া নাহিবা, ল'ৰাৰ অন লাইন পৰীক্ষা । কাষৰ ৰুমত থকা ছোৱালীজনীৰো পৰীক্ষা। মালিকে মানা কৰি থৈছে" বুলি ক'লো । তাৰ পিছৰ পৰা আজিলৈকে তেওঁলোকে ফোন, ফেচবুক সকলো বন্ধ কৰি দিলে (লাইক, কমেণ্ট)। অন্য এদিন চিনাকি যুৱক এজনে ল'ৰালৈ ফোন কৰিলে, " অমুক ঠাইত আছো । আগবাঢ়ি আহঁা।" ল'ৰা কিবা কামত দূৰত আছিল। "না" কৰাৰ পিছত ফেচবুক বন্ধ। কিন্তু, ল'ৰাই আগতে কেইবাবাৰো (গাঁৱত থকা ঘৰৰ) লগৰ ল'ৰা বা অন্য চিনাকিজনকো টাওনলৈ আগবাঢ়ি গৈ বাট দেখুৱাই আমাৰ ঘৰলৈ লৈ আহিছে। সকলো কথা ফোনত বুজাই ক'ব নোৱাৰি, ক'লেও বিশ্বাস নকৰিব। চাকৰি, ল'ৰা- ছোৱালীৰ পঢ়া- শুনা, বা অন্য কিবা কাৰণতহে আমাৰ দৰে কিছুমান পৰিয়ালে নিজৰ ঘৰ-দুৱাৰ এৰি ভাড়াঘৰত থাকিবলগীয়া হয়। থকা কোঠাৰো অসুবিধা হয় (পঢ়া- শুনাৰ ক্ষেত্ৰত)। কেতিয়াবা কিবা কাৰণত শুশ্ৰূষা কৰিব নোৱাৰোঁ । তাৰমানে এইটো নহয় যে সম্পৰ্ক শেষ। মনতে ভাৱ হয়- স্বাৰ্থ থাকিলেহে মানুহে মানুহক বিচাৰে নেকি ! ল'ৰা দুটা সৰু হৈ থাকোঁতে বহুত বিপদ, বহুত সমস্যাৰ সৈতে অক'লে যুজিঁলো। সেই সময়ত যি দুই এজনে অকণমান সহায় কৰিছিল, তেওঁৰ ওচৰত মই কৃতজ্ঞ। এতিয়াও, কোনোবাই মোক যি কোনো ক্ষেত্ৰত সহায় নকৰিলেও বা খবৰ ন'ললেও মোৰ কোনো আক্ষেপ নাই, নাথাকিবও । বিপদত পৰাজনক শক্তি অনুযায়ী (নিস্বাৰ্থ) সহায় কৰিবলৈ মই সদায় সাজু। "যাৰ কোনো নাই, তাৰ ভগৱান আছে" বাক্যশাৰী মনে প্ৰাণে বিশ্বাস কৰোঁ ।

গাগিনী অ' গাগিনী

গায়ত্ৰী দেৱী বৰঠাকুৰ
তেজপুৰ, শোণিতপুৰ

গাগিনী অ' গাগিনী,
বৰকৈ বাঢ়িছে নদীত বোলে পানী
মনে- মনে চাওঁ গৈ চোন ব'লা
নদীৰ বাঢ়নী পানী আমি জুখি- মাখি
ডিঙিটো ভাঙি তুমি ঠেং দুটা যেতিয়া আগলৈ মাৰা
তোমাক সঁচাকৈ কোনোবা বক্সাৰ যেন লাগে জানা
খণ্ডতেই নিদিবা দেই একৰাউণ্ড খেলি
ক'ৰবাত পৰিমগৈ জানা তেতিয়া ছিটিকি
দুখ- চুখ পালে ডাক্তৰ নো ক'ত বাৰু পাবা
ক'ৰণাৰ বাবে ওলমি আছে জানা এতিয়াও তলা
গাগিনী, তোমাক মই সুধিম নদীৰ পানীৰ পৰিমাণ
ঠেং দুখন মেলি ক'বা, "ইমান- ইমান।"
আবেলিৰ ৰঙা বেলিৰ সতে আমি উভটিম ঘৰলৈ
উলাহতে ৰজা- ৰাণী খেলিম চোতালত ৰৈ-ৰৈ

পাণবজাৰৰ এটি ১৭০ বছৰীয়া গৃহ আৰু ঐতিহ্যক্ষেত্ৰ

গোপাল জালান

সৌন্দৰ্যৰে ভৰপূৰ অসম। প্ৰকৃতিদেৱীয়ে অসমত ইমানেই সৌন্দৰ্য থুপ খুৱাইছে যে ইয়ালৈ এবাৰ আহিলে কোনোৱে ঠাইখিনি পাহৰিব নোৱাৰে। এই সৌন্দৰ্যৰ অন্যতম উপাদান হ'ল নদী। অসমত নদ-নদীৰ সংখ্যা বেছি বাবে অসমক নদীমাতৃকা দেশ বুলি কোৱা হয়। অসমৰ সৌন্দৰ্যৰ প্ৰবাহ চীন-ভুটানলৈকে বিস্তৃত। কাৰণ ব্ৰহ্মপুত্ৰ, পাগলাদিয়া আদিৰ উৎস এই চুবুৰীয়া দেশ দুখনত। নদীৰ বুকুতে মানৱ ইতিহাসে ঢুকি নোপোৱা দিনৰে পৰাই সভ্যতা গঢ়ি উঠিছে। নদীৰ গতিৰে বিচাৰি পোৱা যায় এটা জাতিৰ ইতিহাস। সেয়েহে কোৱা হয়- A river doesnot just carry water, it carries life. অসমৰ প্ৰধান নদী ব্ৰহ্মপুত্ৰৰ বুকুতে আছে শৰাইঘাটৰ ৰণত শক্তিশালী মোগলক পৰাজিত কৰা বীৰ লাচিতৰ বীৰত্বৰ কথা, বৃটিছে অসমত ৰাজত্ব কৰাৰ কাহিনী। স্বাধীনতা সংগ্ৰাম, অসমৰ সমাজ জীৱনৰ প্ৰতিটো দিশেই জড়িত হৈ আছে বিশাল লুইতৰ বুকুত। শদিয়াৰ পৰা ধুবুৰীলৈকে প্ৰবাহিত লুইতৰ প্ৰতিটো ঢৌৱে কয় অসমীয়া সংস্কৃতি, বৰ অসমৰ ঐতিহ্য তথা চহা সমাজখনৰ বাস্তৱ চিত্ৰৰ কথা। এই সকলোবোৰ থুপ খুৱাই ব্ৰহ্মপুত্ৰৰ পাৰত মুকলি হৈছে 'মহাবাহু ব্ৰহ্মপুত্ৰ ঐতিহ্যক্ষেত্ৰ'। গুৱাহাটীৰ পাণবজাৰত বিশ্ববাসীৰ দৰ্শনৰ বাবে মুকলি কৰা হৈছে মহাবাহু ব্ৰহ্মপুত্ৰ ঐতিহ্যক্ষেত্ৰ। এই গৃহটো মুকলি হোৱাৰ লগে লগে অসমৰ পৰ্যটনৰ ক্ষেত্ৰখনত আন এটি উল্লেখযোগ্য অধ্যায় অন্তৰ্ভুক্ত হ'ল। শৰাইঘাটৰ ৰণৰ স্মৃতি বিজড়িত বৰফুকনৰ টিলা পৰৱৰ্তী সময়ত সকলোৰে চৰ্চাৰ বিষয় হৈ পৰে। বুৰঞ্জীবিদ দীপাংকৰ বেনাৰ্জীয়ে উল্লেখ কৰা মতে ১৮৩৯ চনত গুৱাহাটীত প্ৰথমবাৰৰ বাবে উপায়ুক্ত পদটো বৃটিছে সৃষ্টি কৰিছিল। ১৮২৬ চনৰ ইয়াণ্ডাবু সন্ধি অনুসৰি বৃটিছে অসম দখল কৰাৰ পাছতে দৰাচলতে আৰম্ভ হৈছিল অসমীয়া সমাজ-জীৱনৰ পৰিৱৰ্তন। পাণবজাৰৰ এই টিলাতে শৰাইঘাটৰ যুদ্ধৰ বৰতোপ আদি

(বাৰ পৃষ্ঠাত চাওক)

সময়

নিতিত্মান দাস, সপ্তম শ্ৰেণী

বিশ্বৰ শক্তিশালী যোদ্ধা হল ধৈৰ্য্য আৰু সময়,
জীৱন শূন্য যদি কৰোঁ ইয়ালৈ ভয়,
মোৰ প্ৰতি উশাহে সময়ক মাতে,
মোৰ প্ৰতি কান্দোনত সময়ে গতি কৰে।
অতীতক সময়ে নোৱাৰে উভতাব,
ভৱিষ্যতক সময়ে নোৱাৰে বুজাব।
সময় মাথোঁ সেইটো যিয়ে আমাক বান্ধি ৰাখিছে,
সময় মাথোঁ সেইটো যিয়ে মানুহক মানুহ বনাইছে।
এলেহুৱা হলে সময়ে ভয়ংকৰ ৰূপ ল'ব,
যিয়ে আমাক সকলোফালৰ পৰা পৰিৱৰ্তন কৰিব।
সৎ মানুহক আনিব পাৰে দানৱৰ ৰূপলৈ,
দানৱক আনিব পাৰে উচিত পথলৈ।
সময়ে কাৰ বাবেনোঁ ৰৈ থাকিব,
সময়ে কাৰ কেতিয়া মৃত্যুক মাতিব।
সময়ৰ নাই শেষ আৰু আৰম্ভণি,
সময় এনে বস্তু যি কোনো মুহূৰ্ততে আনিব পাৰে তৃপ্তি।
সময়ক চাব পাৰো ঘড়ীৰ কাটাৰে,
সময়ক ৰাখিব পাৰি নিজৰ কৰ্মৰে।
সময়ৰ মতে কলিৰ পৰা ফুল হব,
সময়ৰ মতে ডাৱৰে বৰষুণ পেলাব।
সময়ৰ মতে পৃথিৱীত দিন ৰাতি হব,
সময়ৰ মতে সকলো প্ৰাণীৰ সমাপ্ত নিশ্চিত কৰিব।
সময়ৰ মতে সকলোৰে নয়ন মেলিব,
সময়ৰ মতে সকলোৰে নয়ন ঢাকিব।
অমৰ হবলৈ সময়ৰ সৎ ব্যৱহাৰ কৰিব লাগে,
এইটো সঁচা যে সময় কাৰোবাবে ৰৈ নাথাকে।

ENGLISH NEWS SECTION

Gauhati University shapes future with its affordable education for students to realise their ambitions : Governor

Guwahati, : Assam, Governor Prof. Jagdish Mukhi inaugurated the Platinum Jubilee celebration of Gauhati University at a programme held at the university premises here today. It may be noted that the year-long celebration of the programme would end on 26 January 2023.Speaking on the occasion, Governor Prof. Mukhi said that as the university embarked into the Platinum Jubilee Year, it is a matter of satisfaction that the University continues to provide excellent education along with policy inputs in geostrategic areas. The university's academic exchange programmes and partnerships with the universities of several neighbouring countries continue to be the way for the nation's Act East Policy. He also said that Gauhati university is the place where the future is being visualized, where affordable education brings students from all sections of society to study and realize their ambitions.

Paying his rich tributes to the rich legacy of the university the Governor said that founded by a generation of visionaries which included Gopinath Bordoloi, Fakhruddin Ali Ahmed, Madhab Chandra Bezbaruah, Bhubaneswar Barua, Krishna Kanta Handiqui and many others, Gauhati University has been known for fine scholarship and strong values, good work ethics and a desire to reach the zenith. The university has public representatives, creative writers, performing artistes, eminent lawyers, scientists, journalists, administrators and legislators among its alumni which is a fine example for coming generations of students to follow.Governor Prof. Mukhi said that the celebrations of platinum jubilee leads the university to the threshold of a new milestone and puts greater responsibility on to it that the state and the region looks up to for academic leadership and vision. With the implementation of NEP 2020, it opens up new vistas for the university to pursue and perform. Talking on the occasion, Prof. Mukhi said that Gauhati university should strive to become an institution that is proactive in addressing contemporary issues like climate change through its research; provide holistic, good quality education for all its citizens; and are attuned to the surrounding life and society. The right kind of education will help the university to realize its goals, the Governor added.

He also said the challenge for Gauhati University at this moment is to gear itself up to meet the new needs of the future. It will have to blend quality teaching – and this would now mean finding more effective ways for its faculty in the colleges and in the university's postgraduate departments to undergo regular training and programs of self-improvement. This will have to be combined with high quality research for which the NEP has several enabling factors in mind. However, in order to take full advantage of the possibilities that the NEP has opened up, the university has to prepare itself. While the University has been doing well and there is a steady rise in its actual growth, it is important to identify the areas where there are shortcomings and address them judiciously. He also said that though he has no doubt about the competence of the faculty and the administrators, he said that to take the leap forward, serious introspection along with hard work are needed on the part of the university fraternity.

The Governor further said that he looked forward to the further development of the university and is hopeful of the role the university in meeting the educational needs of the region and address larger issues facing the nation like poverty, uneven access to education and healthcare.

Speaking on the prospect of the university, the Governor said that he believes that Gauhati University has a great future. Under the dedicated faculty members and administration, the university he said is poised for a significant transformation. He also said that the university will develop itself as a vibrant centre for exchange programmes and set up collaborations with eminent institutions across the globe to become one of most sought after centres of excellence in this part of the region.

KGF: Chapter 2 to release in cinemas on 14 April 2022

Guwahati, : According to reports, this movie was expected to release last year but got postponed multiple times due to the pandemic. This year , the film is slated to release in five different languages including Kannada, Telugu, Tamil, Malayalam, and Hindi.Along with the Sandalwood superstar, actors including Sanjay Dutt, Raveena Tandon and Srinidhi Shetty will be seen in pivotal roles. Prakash Raj, Achyuth Kumar, Malavika Avinash among others will be seen in the supporting cast.

Earnings of Kohli, Ronaldo through Instagram post in 2021

Guwahati, : "Team India Test captain Virat Kohli earned $680,000 (5 crore) per Instagram post in 2021, as per a report by Forbes India. Cristiano Ronaldo earned $1,604,000 (12 crore) per post, the highest among all the celebrities. He was followed by Dwayne Johnson ($1,523,000/post) and Ariana Grande ($1,510,000/post). Priyanka Chopra earned $403,000 per Instagram post last year.

'Salute' selected for Rotterdam Film Festival"

Guwahati, : "Dulquer Salmaan-starrer 'Salute' has been selected for the International Film Festival Rotterdam. Directed by Rosshan Andrews, the cop drama also stars Diana Penty, Manoj K Jayan, Alencier Lopez, Lakshmi Gopalaswamy and Saniya Iyappan among others. The 51st edition of the festival will be held from January 26 to February 6 in Rotterdam, Netherlands.

E-mail us-
rongilibartamedhi@gmail.com

Postal Redg. No. GH- 098/ 2015 - 17

Rongili Barta

GUWAHATI—781025

২৪ পুহ, ১৪২৭ চন Rongili Barta, Date of Publication-- 09 January, 2022

মা

ৰাজলক্ষ্মী বৰঠাকুৰ
দেৱৰাজ ৰয় মহাবিদ্যালয় গোলাঘাট

মা সকলোৰে থাকে কিন্তু তোমাৰ দৰে
মা সকলোৰে ভাগ্যত নাই।
সকলো পৰিস্থিতিত সাহসেৰে
সন্মুখীন হ'বলৈ তোমাৰ পৰাই
শিকিছো মা।
মই আজি যি পাইছোঁ এয়া একমাত্ৰ
তোমাৰ বাবেই সম্ভৱ হৈছে।
মা তুমি সংসাৰৰ সকলো বাধা
অকলেই যুঁজ দিবলৈ সক্ষম।
মাৰ লগত মোৰ কেৱল মনৰ নহয়
হৃদয়ৰো অন্তহীন সংযোগ আছে।
সকলোৰে বাবে তুমি মা কিন্তু
আমাৰ বাবে তুমিয়ে পৃথিৱী।

ভাল লগা সন্ধ্যাবোৰ...

নন্দেশ্বৰ মিলি, নগাওঁ



ভাগৰি লগা সময়বোৰ
পাহৰিবৰ বাবে
একাপ ফিকা চাহত চুমুক দি
তোমাৰ স'তে কটোৱা এসন্ধ্যাৰ
আমেজেই সুকীয়া।
কলঙৰ দলঙৰ ৰেলিঙত বহি
দেৱকান্তৰ কবিতা অথবা মহিম বৰাৰ গল্প পঢ়াৰ ছলেৰে
শংকৰদেৱ বিশ্ববিদ্যালয়ৰ পৰীবোৰ চাই থাকিলে
নাহৰ দেশৰ অথবা কৃষ্ণচূড়া দেশৰ
সেই পুৰণি বেমাৰে উক দিয়ে।
নেহেৰুবালি বাকৰিত সন্ধ্যাবোৰ
ক্ৰমশঃ জীপাল হৈ উঠে
যেতিয়া ৰঙচুৱা বেলিটিয়ে
হাঁহি হাঁহি দিনটোৰপৰা মেলানি মাগে।

পাণবজাৰৰ এটি ১৭০

সিঁচৰতি হৈ আছিল। সেইবাবেই হয়তো বৃটিছে এই টিলাটোকে উপায়ুক্তৰ বাসভৱন নিৰ্মাণৰ বাবে নিৰ্বাচিত কৰিছিল। ভাৰতে স্বাধীনতা লাভ কৰাৰ পাছত বৃটিছ অসমৰ পৰা আঁতৰি গ'ল। পৰি ৰ'ল আন গৃহৰ লগতে এই উপায়ুক্তৰ বাসভৱনটো। উক্ত গৃহটো যে ঐতিহাসিক ক্ষেত্ৰ হিচাপে গঢ়ি তুলিব পাৰি তাৰ চিন্তা-চৰ্চা আৰম্ভ হোৱাৰ পাছত আজি এই গৃহটোৱে লাভ কৰিলে এক নতুন পৰিচয়। এতিয়া পূৰ্বৰ উপায়ুক্তৰ কাৰ্যালয়টোৱে নতুন চিনাকি 'মহাবাহু ব্ৰহ্মপুত্ৰ ঐতিহ্যক্ষেত্ৰ'।

মহাবাহু ব্ৰহ্মপুত্ৰ ঐতিহ্যক্ষেত্ৰত অসমৰ ঐতিহ্য তথা সমাজ-জীৱনৰ প্ৰকৃত ছবিখন প্ৰতিফলিত হোৱাৰ লগতে সংৰক্ষিত কৰা হৈছে বহুতো আপুৰুগীয়া সম্পদ। ১৭০ বছৰীয়া এই গৃহটোৰ প্ৰতিটো বস্তু আকৰ্ষণীয়। অৱশ্যে ইয়াৰ ভিতৰত মিউজিকেল হেৰিটেজ সবাতোকৈ আকৰ্ষণীয় হৈ পৰিছে। কাৰণ ইয়াত দুশবিধ বিভিন্ন ধৰণৰ থলুৱা বাদ্যযন্ত্ৰ সংৰক্ষণ কৰা হৈছে। এই বাদ্যযন্ত্ৰসমূহৰ ভিতৰত ঢোল, মৃদংগ, নাগাৰা, খোল, খামাক, ডম্বৰু, খুতুলি, বাগধেনু, তৰলিট, গুগুবেলা, গুগুমেলা, বুকুং, মুৰ্তিংপু, মুখবন্ধী, টুটু, লাখৰ ব্ৰংছিং, কাৰহানল, টেংটেং, টকা, কডিতাল, ডেংটুগ, থেৰথেৰা, খেৰচেং, কৰতাল, ডাস্কাথাই, ডুমপাক, খামাক, দোতৰা, চাৰিণ্ডা, বীণ আদি। এই বাদ্যযন্ত্ৰবোৰ লাহে লাহে প্ৰায়ভাগ জাতি-জনগোষ্ঠীৰ সমাজ-জীৱনৰ পৰা হেৰাই যোৱাৰ উপক্ৰম ঘটিছে।

নদীকাষৰীয়া লোকৰ ছবি এখনো সুন্দৰভাৱে উপস্থাপন কৰা হৈছে। নৈ, পুখুৰী, খাল, বিলত মাছ মাৰোতে কেনেধৰণৰ সা-সঁজুলি আদি ব্যৱহাৰ কৰা হয় তাৰ সুন্দৰ ছবি এখন প্ৰতিফলিত হৈছে। কেৱল মহাবাহু ব্ৰহ্মপুত্ৰই নহয়, ইয়াৰ উপনৈসমূহত কেনেদৰে মাছ ধৰা হয় তাৰ ছবিখন বিভিন্ন সা-সঁজুলিৰেই উপস্থাপন কৰা হৈছে। জাল, পল, চেপা, জাকৈ, খালৈ, চালনী আদিৰ লগতে ইয়াত ব্যৱহৃত নাৱৰ ছবিসমূহো সংৰক্ষণ কৰা হৈছে। ইয়াৰ এটি কোঠাত বিভিন্ন ধৰণৰ বস্ত্ৰ প্ৰদৰ্শন কৰিছে। তদুপৰি অসমীয়া শিপিনীৰ পৰিচয় তাঁতশালখনো সংৰক্ষণ কৰা হৈছে। দুশ বছৰীয়া ঘড়ীৰ পৰা আৰম্ভ কৰি বৃটিছৰ দিনৰ ফোন, উপায়ুক্তই ব্যৱহাৰ কৰা আচবাব আদিও চকুত লগা। এই কোঠাৰ ভিতৰতে ঠাণ্ডা দিনত জুই পুৱাব পৰাৰ ব্যৱস্থাও যে আছিল তাৰ চিত্ৰ এখন ফুটি উঠিছে। আগৰ দিনত আজিকালিৰ দৰে 'ৰুম হিটাৰ' নাছিল। সেই বাবেই এনেধৰণৰ ব্যৱস্থা কৰিছিল। বিজ্ঞানসন্মতভাৱে প্ৰস্তুত কৰা হৈছিল জুই, বিশেষকৈ কয়লা পুৰিবলৈ ব্যৱহাৰ কৰা ঠাইখিনি। গ্ৰামোফোন, ৰেকৰ্ড, বিভিন্ন ধৰণৰ চকী, ছোফাছেট, টেবুল, ডাঙৰ আইনা আদিৰো ব্যৱস্থা আছে। বৃটিছসকলে তাহানিতেই যে বিজ্ঞানসন্মতভাৱে সেইবোৰ ব্যৱহাৰ কৰিছিল তাৰো প্ৰতিফলন ঘটিছে মহাবাহু ব্ৰহ্মপুত্ৰ ঐতিহ্যক্ষেত্ৰত।

এই ঐতিহ্যক্ষেত্ৰখনত শেহতীয়াভাৱে সংযোজন কৰা হৈছে 'অৰুণোদয়'। অসমৰ প্ৰথমখন সংবাদপত্ৰক লৈ নন্দ তালুকদাৰ ফাউণ্ডেচনে আগভাগ লৈ মহাবাহুৰ পাৰত দৰ্শনৰ বাবে মুকলি কৰা হ'ল ১৭৫ বছৰীয়া সোণোৱালী গৌৰৱেৰে সমৃদ্ধ 'অৰুণোদয়'। কাকতখনৰ প্ৰকাশিত আটাইকেইটা সংখ্যাৰ একত্ৰ সংকলনৰ ১৮৪৮ চনৰ সংখ্যাটো দৰ্শকে চাব পৰাকৈ মেলি থোৱা আছে। এই সংখ্যাৰ ছয় নম্বৰ পৃষ্ঠাত 'অনেক দেশৰ সম্পদ'ত লিখা আছে- 'এই শিৱসাগৰ গাৱত এজনি তিৰোতাই কাঠফুলাৰ আঞ্জা খাই দিন চাৰেক নৰিয়া হৈ পৰি আছিল।' এইখন সংবাদপত্ৰৰ কপি এতিয়া পাবলৈ নাই। বহু লোকে এইখন সংবাদপত্ৰৰ কপি চাবলৈ এতিয়াও উৎসুক। 'অৰুণোদয়' কাকতখিনি একত্ৰ ৰূপত বন্ধাই দৰ্শকে চাব পৰাকৈ দিয়াৰ বাবে নন্দ তালুকদাৰ ফাউণ্ডেচনৰ লেখক-সাংবাদিক মৃণাল তালুকদাৰকো ধন্যবাদ জনালো। এই ক্ষেত্ৰলৈ আহিলেই এনে সম্পদ সুন্দৰভাৱে প্ৰত্যক্ষ কৰিব পাৰিব। সৰু ষ্টেডিয়াম এখনৰ আৰ্হিত বনোৱা ক্ষেত্ৰও আছে। গৃহটোৰ ভিতৰত যিবোৰ সম্পদ আছে, বাহিৰত আকৌ অপৰূপ সৌন্দৰ্য আছে। সৰু-সুৰা শ্বুটিঙৰ বাবে উপযুক্ত ঠাই। বাহিৰৰ বেষ্টত বহিলেই দেখা যায় বিশাল ব্ৰহ্মপুত্ৰৰ চৌপাশে থকা অপৰূপ সৌন্দৰ্য। পুৱা সূৰ্যোদয় আৰু আবেলি সূৰ্যাস্তৰ সময়ত ইয়াৰ পৰা যদি সৌন্দৰ্য উপভোগ কৰে তেনেহ'লে পৃথিৱীৰ সকলোখিনি সৌন্দৰ্য ইয়াতেই থুপ খাই আছে বুলি অনুভৱ নকৰাকৈ থাকিব নোৱাৰে। ইয়াত ৰেস্তোৰাঁ আৰু কেণ্টিনৰ ব্যৱস্থাও কৰি আছে। কংক্ৰিটৰ মহানগৰীৰ মাজতো যে এনে এখন ঠাই থাকিব পাৰে সেয়া হয়তো বহুতৰেই কল্পনাৰো অগোচৰ বুলি ক'লেও অত্যুক্তি কৰা নহ'ব। শিশুসকলে খেলিব পৰাৰ ব্যৱস্থাও উপলব্ধ। আনহাতে শিশু, বয়স্ক আৰু দিব্যাংগক তলৰ পৰা ওপৰলৈ নি ফুৰাব পৰাকৈ সৰু বাহন এখনৰো ব্যৱস্থা আছে। মাথোঁ টিকট লোৱাৰ সময়ত তেওঁলোকক এই বিষয়ে অৱগত কৰিব লাগে। প্ৰতিগৰাকী ব্যক্তিৰ প্ৰৱেশ মূল্য এশ টকা। শিশুসকলৰ বাবে টিকটৰ প্ৰয়োজন নাই। ঐতিহ্যক্ষেত্ৰখনৰ উন্নয়নৰ বাবে বহুতো পদক্ষেপ ৰূপায়িত হৈ আছে। কেইমাহমানৰ পাছত হয়তো ইয়াতকৈ আৰু অধিক আকৰ্ষণীয় হৈ পৰিব।

ইয়াত বহুতো আপুৰুগীয়া ফটো সংৰক্ষণ কৰা হৈছে। ১৯৩৪ চনতে 'হৰিজন'ত মহামানৰ মহাত্মা গান্ধীয়ে কৃষ্ণনাথ শৰ্মাৰ ঘৰত এটি গোসাঁইঘৰৰ দুৱাৰ মুকলি কৰাৰ পৰা আৰম্ভ কৰি ১৯৪৮ চনত ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয় উদ্বোধন, ১৯৫০ চনত দৰঙত ভুটিয়াৰ বেহা, জ্ঞানদাভিৰাম বৰুৱা, বিষ্ণুপ্ৰসাদ ৰাভা আদিৰো আপুৰুগীয়া ফটো সংৰক্ষণ তথা প্ৰদৰ্শন কৰা হৈছে।

ইতিহাস সংৰক্ষণ কৰিবই লাগিব। বৃটিছ, জাৰ্মান, আমেৰিকা, ইটালি, ছুইজাৰলেণ্ড, ফ্ৰান্স আদি দেশত ইতিহাস সংৰক্ষণৰ ওপৰত অতীতৰে পৰাই গুৰুত্ব প্ৰদান কৰি আহিছে। বাবে আজি পৃথিৱীৰ আন দেশসমূহৰ বাবে আদৰ্শ হ'ব পাৰিছে। বৃটিছ, জাৰ্মানীৰ লোকে সকলোবোৰ সংৰক্ষণ হোৱাত আগস্থান দিয়ে বাবে পৃথিৱীৰ সভ্যতা-সংস্কৃতিৰ ইতিহাস বিশ্লেষণ কৰিবলৈ হ'লে এইবোৰ দেশলৈ যাবলগীয়া হয় অথবা তাৰ পৰা সংগ্ৰহ কৰিবলৈ বাধ্য। অসমো ইতিহাসৰ সম্পদৰ ক্ষেত্ৰত কোনোগুণে কম নহয়। পিছে পূৰ্বৰেপৰা সংৰক্ষণত গুৰুত্ব নিদিয়াৰ বাবে বহুতো ঐতিহাসিক সম্পদ আজি পাহৰণিৰ গৰ্ভত। এইবোৰ যদি ভালদৰে উদ্ধাৰ কৰি সংৰক্ষণৰ ব্যৱস্থা কৰা হয় তেনেহ'লে এইবোৰ আন দেশৰ বাবে গৱেষণাৰ সমল হ'ব। মহাবাহু ব্ৰহ্মপুত্ৰ ঐতিহ্যক্ষেত্ৰৰ দৰে যদি অসমৰ ঐতিহ্যক সংৰক্ষণ আৰু সুন্দৰভাৱে উপস্থাপন কৰিলে নিশ্চয় পৰ্যটনৰ ক্ষেত্ৰতো আৰু এখোপ আগুৱাই যাব পাৰিব অসম।

ৰঙিলী বাৰ্তা কৰ্তৃক শ্ৰীউদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-২৫ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃ মহেশ চন্দ্ৰ মেধি মুখ্য-সম্পাদক ঃ উদ্দীপ্ত নয়ন মেধি সহঃসম্পাদিকাঃ স্বাগতা বৰুৱা গোস্বামী সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- UDDIPTA NAYAN MEDHI Ph.98542-15286